কেৰালাত ধৃত পলাতক ফিৰদৌচ
ই-সংবাদ, মৰিগাঁও, ৫ নৱেম্বৰঃ মৰিগাঁও আৰক্ষীৰ নজৰৰ পৰা পলাতক হৈ থকা এজন ৪ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, NOVEMBER 06, 2024 ■ বুধবাৰ, ২০ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০৩ Guwahati, Assam ।। মূল্যঃ এটকা

## চামগুৰিত বিপৰীত কাল... আজমলে মনে মনে কয় হিমন্ত বিশ্ব ভাল

# বিজেপিক সমৰ্থন ইউডিএফৰ

**ই-সংবাদ, গুৱাহাটী-পুৰণিগুদাম, ৫ নৱেম্বৰঃ** কংগ্ৰেছসহ একাধিক দলৰ অভিযোগক আজি সত্য প্ৰমাণিত কৰিলে বদৰুদ্দিন আজমলৰ দলে। বিজেপিৰ বি-টিম হিচাপে কাম কৰা থকাৰ লগতে ৰাষ্ট্ৰপতি নিৰ্বাচন, ৰাজ্যসভাৰ নিৰ্বাচনত বদৰুদ্দিন আজমলৰ দলৰ বিধায়কে বিজেপি প্ৰাৰ্থীক ভোট দিয়াৰ অভিযোগ উত্থাপন কৰি আহিছিল কংগ্ৰেছসহ আন কেবাটাও ৰাজনৈতিক দলে।



ইমানেই নহয়, সংখ্যালঘুৰ ভোট বিভাজন কৰি বিজেপিক সহায় কৰিবলৈ আজমলৰ দলে সময়ে সময়ে অধিক সংখ্যক আসনত প্ৰাৰ্থিত্ব দিয়াৰো অভিযোগ উত্থাপন হৈ আহিছে। শেষাংশ ২ পৃষ্ঠাত

## ৰাজনীতি ত্যাগ কৰিবলৈ সাজু পাৱাৰ

**মুম্বাই, ৫ নৱেম্বৰঃ** সক্ৰিয় ৰাজনীতি ত্যাগ কৰাৰ চিন্তা চৰ্চা আৰম্ভ কৰিছে শৰদ পাৱাৰে। সুদীৰ্ঘ ছয় দশকৰো অধিক সময় ধৰি মহাৰাষ্ট্ৰৰ ৰাজনীতিত ৪ পৃষ্ঠাত চাওক

## ধলাইৰ বিজেপি প্ৰাৰ্থী বাংলাদেশী নহয় বুলি ক'ব নোৱাৰিলে মুখ্যমন্ত্ৰীয়ে!



**ই-সংবাদ, ৫ নৱেম্বৰঃ** ধলাইৰ বিজেপি প্ৰাৰ্থীক বাংলাদেশী বুলি মানি ল'লে মুখ্যমন্ত্ৰীয়ে! বিজেপিৰ ধলাই সমষ্টিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাস বাংলাদেশী বুলি আজি প্ৰকাৰান্তৰে স্বীকাৰ শেষাংশ ২ পৃষ্ঠাত

## নোট দি ভোট লয় ফণীয়ে, ক'লে ভূপেন বৰাই

**ই-সংবাদ, ৫ নৱেম্বৰঃ** বৰাক উপত্যকাৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ধলাই সমষ্টিত সম্পূৰ্ণ এটা দিন প্ৰচাৰ চলাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা এইবাৰ পোনে পোনে উপস্থিত হৈছে নামনি শেষাংশ ৩ পৃষ্ঠাত

## তৈয়াময়া ৰণ! এই ট্ৰাম্প, এই কমলা

**নিউয়ৰ্ক, ৫ নৱেম্বৰঃ** মহাশক্তিধৰ আমেৰিকাৰ সৰ্বোচ্চ ক্ষমতাসম্পন্ন ব্যক্তিজনৰ নিৰ্বাচনৰ ওপৰত এতিয়া দৃষ্টি নিবদ্ধ হৈ আছে সমগ্ৰ বিশ্বৰ। ইতিমধ্যে আজিৰে পৰা আৰম্ভ হৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া। এই নিৰ্বাচনৰ পৰিস্থিতিত বিভিন্ন সংস্থাই প্ৰকাশ কৰা জনমত সমীক্ষাত প্ৰতি মুহূৰ্তত সলনি হৈছে নিৰ্বাচনী পট। এইবাৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি পদৰ বাবে ভোটযুদ্ধত নামিছে ৰিপাব্লিকান পাৰ্টিৰ ডোনাল্ড ট্ৰাম্প শেষাংশ ৫ পৃষ্ঠাত

## গছ কটাক লৈ খৰ্গহস্ত ন্যায়ালয়

**ই-সংবাদ, ৫ নৱেম্বৰঃ** দীঘলীপুখুৰীৰ পাৰত একাংশ লোকে গছ ৰক্ষাৰ দাবীত প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে শেষাংশ ৫ পৃষ্ঠাত

## মোদী চৰকাৰৰ ৰোষত উইকিপিডিয়া

**নতুন দিল্লী, ৫ নৱেম্বৰঃ** অনলাইন বিশ্বকোষ সংস্থা 'উইকিপিডিয়া'লৈ এক জাননী জাৰি কৰিছে ভাৰত চৰকাৰে। শেষাংশ ৫ পৃষ্ঠাত



ভোটদানৰ পিছত এগৰাকী মাৰ্কিন যুৱতী, মঙলবাৰে

## কোকৰাঝাৰত সুধাকণ্ঠৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি মুকলি

**ই-সংবাদ, কোকৰাঝাৰ, ৫ নৱেম্বৰঃ** কোকৰাঝাৰত ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী শেষাংশ ৬ পৃষ্ঠাত

### সৰ্বোচ্চ আদালতৰ ৰায়

## যোগীৰ ৰাজ্যত মাদ্ৰাছা বন্ধ নহয়

**নতুন দিল্লী, ৫ নৱেম্বৰঃ** উত্তৰ প্ৰদেশৰ প্ৰায় তেৰ হাজাৰ মাদ্ৰাছাক সকাহ দি আজি এক গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে উচ্চতম ন্যায়ালয়ে। আদালতে আজি মাদ্ৰাছা শিক্ষা আইনক লৈ পূৰ্বে এলাহাবাদ শেষাংশ ৪ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীয়ে ফেচবুকত দিয়া কৃষকৰ দুৰ্দশা

**ই-সংবাদ, চাবুৱা, ৫ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০২৪ চনৰ ১৭ জুলাইত নিজৰ ফেচবুক পেজত এটা ভিডিঅ' শ্বেয়াৰ কৰি ডিব্ৰুগড় জিলাৰ একাংশ খেতিয়কৰ গুণ-গান গাইছিল। খেতিয়কসকলৰ খেতি কৰাৰ পদ্ধতি, উপাৰ্জনক ভূয়সী প্ৰশংসা কৰিছিল। খেতিয়কসকলৰ ফটোসহ খেতিপথাৰৰ বিষয়ে প্ৰচাৰ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে খেতিয়কসকলৰ কান্ধত বন্দুক থৈ নিজ চৰকাৰৰ গুণ-গাণ গাই ইয়াকে দেখুৱাব খুজিছিল যে এইখন শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধলাইৰ বিজেপি প্ৰাৰ্থী বাংলাদেশী নহয়

কৰিলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। নিহাৰৰঞ্জন দাস ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী হোৱাৰ লগতে আন এজন প্ৰাৰ্থিত্ব প্ৰত্যাশী অমিয়কান্তি দাসে অভিযোগ কৰিছিল যে নিহাৰৰঞ্জন দাস প্ৰকৃততে এজন বাংলাদেশী নাগৰিক। এই অভিযোগৰ ভিত্তিতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই নিহাৰ ৰঞ্জন দাস বাংলাদেশী হয় নে নহয় সেই কথা অসমৰ ৰাইজক স্পষ্ট কৰি দিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছিল। বৰাই এইবুলি কৈছিল যে বাংলাদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ উচ্চতম ন্যায়ালয়ে ১৯৭১ চনৰ ২৫ মাৰ্চ বুলি নিৰ্দিষ্ট কৰি দিছে আৰু এয়া ১৯৮৫ চনতে নিৰ্ধাৰিত হৈছিল। পৰৱৰ্তী সময়ত 'কা' আন্দোলনৰ সময়ত বিজেপিয়ে হিন্দু বাংলাদেশীৰ প্ৰতি যি দৰদ দেখুৱাইছিল তাক লৈ সমগ্ৰ অসমত জাতীয় চেতনা উদ্বুদ্ধ হৈছিল আৰু সেই চেতনাক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি অসমৰ মানুহৰ ওপৰত 'কা' জাপি দিছিল। তেনেকৈ এনআৰচিক লৈও বিতৰ্ক হৈছিল। এনে বিতৰ্কৰ মাজতে হিন্দু হ'লেই অখণ্ড ভাৰতৰ যিকোনো দেশৰ লোকে অসমত নিৰ্বাচন খেলিব পাৰিব বুলি বুলিও আওপকীয়াকৈ উল্লেখ কৰিছে মুখ্যমন্ত্ৰীয়ে। ছোনিয়া গান্ধীৰ সৈতে তুলনা কৰি ছোনিয়া গান্ধীয়ে যদি ইটালীৰ পৰা আহি নেতা হ'ব পাৰে তেন্তে অখণ্ড ভাৰতৰ বাংলাদেশৰ পৰা আহি ধলাইৰ বিজেপি প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কিয় নেতা হ'ব নোৱাৰিব বুলি ওলোটাই আজি কংগ্ৰেছক প্ৰশ্ন কৰে মুখ্যমন্ত্ৰীয়ে। আজি বৰাক উপত্যকাৰ ধলাই সমষ্টিত উপ-নিৰ্বাচনৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসৰ হৈ দুখনকৈ সভাত অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলায় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ধলাই সমষ্টিৰ বিএনএমপি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু পালংঘাট চিচিজেচি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত জনসভাত অংশ লৈ ছোনীয়া গান্ধী নিজেই ইটালীৰ পৰা আহিছে বুলি আক্ৰমণ কৰি নিহাৰৰঞ্জন দাসৰ পিছত কিয় পৰিছে বুলি কংগ্ৰেছক প্ৰশ্ন কৰে। নিহাৰঞ্জন দাসক বাবু সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাংলাদেশ ভাৰততে আছিল। বাংলাদেশৰ পৰা হিন্দু কিয় আহিছে? ৭১ত কি হৈছিল বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে উচ্চতম ন্যায়ালয়ে কৈ দিছে ১৯৭১ চনৰ পূৰ্বে যিবিলাক আহিছে সকলো ভাৰতীয় নাগৰিক। ইটালী কেতিয়াও ভাৰতত নাছিল। কিন্তু ছোনিয়া গান্ধী নেতা হ'ব পাৰে। ইটালী অখণ্ড ভাৰতত নাছিল। যিসকলে আইনৰ আওতাত ভাৰতলৈ আহিছে সেইসকল বাঙালী হিন্দু নেতা হ'ব নোৱাৰিব নেকি বুলি ওলোটাই প্ৰশ্ন কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ দ্বাৰা মুখ্যমন্ত্ৰীয়ে অখণ্ড ভাৰত অৰ্থা বিজেপিৰ দৃষ্টিৰে নেপাল, পাকিস্তান, বাংলাদেশ, আফগানিস্তানৰ হিন্দু আহি অসমত নিৰ্বাচন খেলিব বিচাৰে তেন্তে খেলিব পাৰিব বুলি একপ্ৰকাৰ ক্লীনছিট দিয়ে। আজিৰ সভাত ৩০ হাজাৰ ভোটৰ ব্যৱধানত ধলাইত বিজেপি জয়ী হ'ব বুলিও দাবী কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ধলাইত কোনো সমস্যা নাই। এনে নিৰ্বাচনত এতিয়া নৰেন্দ্ৰ মোদীৰ কথা নাহে বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে নতুন চৰকাৰ গঠন হৈছে, উপ-নিৰ্বাচনত প্ৰধানমন্ত্ৰীৰ কথা নাহে। নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদ সদায়েই আছে আৰু এই সমষ্টিটোত ৩০ হাজাৰ ভোটৰ ব্যৱধানত জিকিম। উল্লেখ্য যে, কাছাৰ জিলা বিজেপিৰ উপ-সভাপতি তথা বিজেপিৰ বিসম্বাদী অমিয়কান্তি দাসে বিজেপিৰ ধলাইৰ প্ৰাৰ্থী নিহাৰক বাংলাদেশী বুলি অভিযোগ অনাতহে কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ পৰা উত্তৰ বিচাৰিছিল। কিন্তু ধলাই সমষ্টিৰ প্ৰাৰ্থীজন বাংলাদেশী বুলি মুখ্যমন্ত্ৰীয়ে আজি স্বীকাৰ কৰি লোৱাত জাতীয় সংগঠন আছু আৰু আন আন সংগঠনৰ স্থিতি কি হ'ব সেয়া লক্ষণীয় হ'ব। আনহাতে, সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক সমালোচনা কৰি কয় যে নিৰ্বাচনত কংগ্ৰেছ জয়-পৰাজয়ক লৈ চিন্তিত নহয়। কংগ্ৰেছৰ একমাত্ৰ উদ্দেশ্য হৈছে ৰাজ্যখনৰ উন্নয়নত বাধা দিয়া। বিৰোধী দলটোক মতা গৰুৰ সৈতে তুলনা কৰি মুখ্যমন্ত্ৰীয়ে আৰু কয় কংগ্ৰেছে ভোট পালেও উন্নয়ন কৰিব নোৱাৰিব। কংগ্ৰেছে দৰিদ্ৰ লোকসকলে চৰকাৰী লাভালাভ পোৱাটো নিবিচাৰে। কংগ্ৰেছে ঘৰত বহি বিশ্ৰাম লোৱা উচিত। তেওঁলোকে আৰু ৫০ বছৰৰ বাবে শাসনলৈ নাহে। এইবুলি কৈ হিমন্ত বিশ্ব শৰ্মাই বিজেপি দলক বহুত বহুত গাখীৰ দিয়া জাৰ্ছী গৰু বুলিও দাবী কৰে। ইফালে, মুখ্যমন্ত্ৰীৰ এনে বক্তব্যক উভতি ধৰিছে কংগ্ৰেছে। কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই কয় যে, মুখ্যমন্ত্ৰীৰ বাংলাদেশী প্ৰীতি জাতিৰ বাবে উদ্বেগজনক। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ সময়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যি বাংলাদেশী প্ৰীতি দেখাইছে তাত আমি স্তম্ভিত হৈ পৰিছো। বিজেপিৰ প্ৰাৰ্থী নীহাৰ ৰঞ্জন দাস যে পাকেপ্ৰকাৰে বাংলাদেশী সেই কথা আজি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মানি লৈছে। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত নীহাৰ ৰঞ্জন দাসৰ অসমৰ এনআৰচিত নাম আছে, অসমৰ পৰা মেট্ৰিক পৰীক্ষা দিছে আদিৰ দৰে কথা কৈ কংগ্ৰেছ দলক আক্ৰমণ কৰিবলৈ গৈ নিজেই নিজৰ স্বৰূপ উদঙাই দিয়া পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীয়ে ফেচবুকত দিয়া কৃষকৰ দুৰ্দশা

চৰকাৰৰ দিনত খেতিয়কৰ সমৃদ্ধি হৈছে। খেতিয়কৰ হিতৰ বাবে চৰকাৰে কাম কৰিছে। কিন্তু মুখ্যমন্ত্ৰীয়ে যিসকল খেতিয়কৰ খেতিপথাৰ আৰু ফটো ব্যৱহাৰ কৰিছিল সেইসকল খেতিয়ক আজি কি অৱস্থাত আছে ৰাজ্য চৰকাৰ কিম্বা কৃষি বিভাগে খবৰ ৰাখিছিনে? নিশ্চয়কৈ খবৰ ৰখা নাই। মুখ্যমন্ত্ৰীয়ে ফেচবুকযোগে কৈছিল "ডিব্ৰুগড়ৰ কেইগৰাকীমান সফল কৃষক এতিয়া হৈ পৰিছে বহুজনৰ আদৰ্শ। তেওঁলোকৰ কৰ্ম সামৰি এটি সঁফুৰা আপোনালোকলৈ আগবঢ়ালো। এনে উৎসাহ ভৰা খবৰে আমাক সঁচাকৈয়ে আনন্দিত কৰে।" হয়তো মুখ্যমন্ত্ৰীক কৃষি বিভাগে এই তথ্য যোগান ধৰিছিল। সেই কৃষি বিভাগেই এতিয়া খেতিয়কসকলৰ খবৰ ল'বলৈ পাহৰি পেলাইছে। কেৱল খেতিয়কৰ পথাৰ আৰু ফটো ব্যৱহাৰ কৰি ৰাজ্য চৰকাৰক বাঃ বাঃ লোৱাত সহায় কৰা কৃষি বিভাগে অন্ধৰ ভাও লোৱা পৰিলক্ষিত হৈছে। কিয়নো যিসকল খেতিয়কৰ ফটো আৰু খেতিপথাৰ ব্যৱহাৰ কৰি মুখ্যমন্ত্ৰী আৰু চৰকাৰে বাঃ বাঃ লৈছিল সেইসকল খেতিয়কৰ ৫ মাহৰ পিছতে নাজল-নাথল অৱস্থা হৈ পৰিছে। ৫ মাহ পূৰ্বে যি খেতিয়কক ভগৱান গণ্য কৰা হৈছিল সেইসকল খেতিয়কে এতিয়া হাহাকাৰ কৰি সময় পাৰ কৰিছে যদিও খবৰ ল'বলৈ কাৰোৰে আহৰি নাই। সেইসকল খেতিয়কৰ মাজৰ এজন হৈছে ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ফুলামপুৰ নগাঁৰৰ প্ৰবোধ গগৈ। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত আদৰ্শ কৃষক হিচাপে পৰিচয় কৰোৱা লাহোৱালৰ প্ৰবোধ গগৈয়ে এতিয়া মূৰে-কপালে হাত দিবলগীয়া হৈছে। গগৈয়ে দিহিং নৈৰ পাৰত কৰিছিল প্ৰায় ৪০ বিঘাৰ খেতি। প্ৰায় বিশ লক্ষ টকা খৰচ কৰি অমিতা, জলকীয়া, বগৰী, বেঙেনা, ৰঙালাও আদিৰ খেতি কৰিছিল। নিজেই দেহে-কেহে কষ্ট কৰি আৰু শ্ৰমিকৰ সহায়ত কৰা খেতি লহপহকৈ বাঢ়ি আহিছিল যদিও ফল ধৰাৰ সময়তে বিপৰ্য্যয়ৰ সন্মুখীন হয় প্ৰবোধ গগৈ। হঠাতে দিহিং নৈৰ পানী বাঢ়ি আহি ৪০ বিঘা মাটিৰ অধিক অংশৰ খেতি নষ্ট কৰে। কেইবাদিনো পানীৰ তলত থাকি ফচল নষ্ট হয়। ফলত মূৰে-কপালে হাত দিছে কৃষক প্ৰবোধ গগৈয়ে। বানে বিঘাই বিঘাই শস্য নষ্ট কৰাত এতিয়া অসহায় হৈ পৰিছে আদৰ্শ কৃষক হিচাপে পৰিচিত প্ৰবোধ গগৈ। কেবা লক্ষ টকাৰ খৰচ কৰি ৪০ বিঘা মাটিত খেতি কৰিছিল যদিও প্ৰায় ২০ বিঘা মাটিৰ শস্য অনিষ্ট হোৱাত পূৰ্বে উপাৰ্জন কৰা ধন খৰচ কৰি হাত খালী হৈ পৰে। পুনৰ খেতি কৰিবলৈ সাহস নকৰা প্ৰবোধ গগৈৰ কৃষি বিভাগ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভৰ পাৰা বাঢ়ি আহিছে। বিঘাই বিঘাই শস্য নষ্ট হোৱাত অসহায় হৈ পৰা আদৰ্শ কৃষক প্ৰবোধ গগৈয়ে চৰকাৰ তথা কৃষি বিভাগে সহায়ৰ হাত আগবঢ়োৱাতো দূৰৰে কথা, খবৰ ল'বলৈ সময় নাপালে বুলি অভিযোগ আনে। চৰকাৰ কিম্বা কৃষি বিভাগে কৃষকগৰাকীক আজি পৰ্যন্ত কোনো ধৰণৰ সহায়ত নকৰাত দুখ প্ৰকাশ কৰাৰ লগতে ক্ষোভ উজাৰিছে। কৃষি বিভাগৰ যোগেদি বিতৰণ কৰা বীজ প্ৰকৃত কৃষকৰ পৰিৱৰ্তে ৰান্ধনিশালত যোগান ধৰা হৈছে বুলি গুৰুতৰ অভিযোগ আনে প্ৰবোধ গগৈয়ে। এনেদৰে এতিয়া মুখ্যমন্ত্ৰীৰ ফেচবুক পেজ শুৱনি কৰাৰ পিছতো উচুপিবলগীয়া হৈছে কৃষককে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰচাৰ কৰি চৰকাৰৰ গুণ-গাণ গাইছিল ঠিকেই, পিছে এতিয়া বিপদৰ সময়ত সহায় কৰিবলৈ সময় নাই মুখ্যমন্ত্ৰীৰ। মুখ্যমন্ত্ৰীৰ ফেচবুক পেজ শুৱনি কৰা এইগৰাকী অসহায় কৃষকক ৰাজ্য চৰকাৰে এবাৰ খবৰ লৈ সাহায্য প্ৰদান কৰিব নে নাই সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিক সমৰ্থন ইউডিএফৰ

সকলো সময়তে বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ আন আন নেতাসকলে মিঞাসকলক ঠাট্টা-মস্কৰা, ইতিকিং কৰি গালি-গালাজ কৰি আহিছে। মিঞাক টাৰ্গেট কৰি এনকাউণ্টাৰ কৰা, উচ্ছেদ চলোৱাৰ দৰে কাণ্ড বিজেপিয়ে কৰি আহিছে বুলি উঠি অহা অভিযোগৰ মাজতে সংখ্যালঘু দৰদী এআইউইডিএফ দলে আজি অসমৰ ৰাজনীতিত 'কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল' সদৃশ পৰিস্থিতি সৃষ্টি হোৱাৰ দৰে এক সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুযায়ী অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থীক সমৰ্থন কৰাৰ কথা ঘোষণা কৰিছে এআইউইডিএফে। উপ-নিৰ্বাচনক লৈ চামগুৰি সমষ্টিত সঘনাই পট পৰিৱৰ্তন হোৱাৰ সময়তে বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক মুকলি সমৰ্থনৰ কথা ঘোষণা কৰিছে এআইউইডিএফে। ধুবুৰীত পৰাজয়ৰ পোতক তুলিববলৈ আজমলে এই ঘোষণা কৰাৰ অভিযোগ উঠিছে। চামগুৰি সমষ্টিত এআইউইডিএফৰ নেতাই মুকলিকৈ সংবাদমেল পাতি বিজেপি প্ৰাৰ্থীক সমৰ্থন কৰাৰ ঘোষণা কৰাত ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ আলোড়নৰ সৃষ্টি হোৱা দেখা গৈছে। সংবাদমেলত ২৫ বছৰে ভুগি অহা প্ৰতাৰণা আৰু বঞ্চনাৰ ফলশ্ৰুতিত এনে সিদ্ধান্ত লোৱা বুলি জানিববলৈ দিয়ে সংখ্যালঘু দলটোৰ কেইবাগৰাকী নেতাই। ৰকিবুল হুছেইনৰ বিৰুদ্ধে সৰৱ হৈ চামগুৰি সমষ্টিৰ এআইউইডিএফে কয় যে বদৰুদ্দিন আজমলৰ নেতৃত্বত ২৬ হাজাৰতকৈয়ো অধিক চামগুৰিৰ সংখ্যালঘু ৰাইজে এআইউইডিএফত যোগদান কৰিছিল। এআইইউডিএফে হঠাতে চামগুৰিত প্ৰাৰ্থী থিয় নকৰোৱাৰ সিদ্ধান্ত লোৱাত এই সিদ্ধান্তৰ বিৰোধিতা কৰি চামগুৰি সমষ্টি এআইইউডিএফ নেতৃত্বই এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। বদৰুদ্দিন আজমলে চামগুৰিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইন ভতিজাকৰ দৰে বুলি কৈ প্ৰাৰ্থী নিদিয়াৰ কথা ঘোষণা কৰাত ক্ষোভিত হোৱাৰ লগতে চাচা-ভতিজাৰ সম্পৰ্কৰ মাজত চামগুৰিৰ সংখ্যালঘু ৰাইজ নাথাকে বুলি সিদ্ধান্ত লৈ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক মুকলি সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰে এআইইউডিএফ নেতাকেইগৰাকীয়ে। সংবাদমেলত চামগুৰি সমষ্টি এআইইউডিএফৰ সভাপতি ছফিকুল ইছলাম, জিলাৰ সাধাৰণ সম্পাদক ছাদ্দাম হুছেইনৰ লগতে চামগুৰিৰ এআইইউডিএফৰ যুৱমৰ্চাৰ উপ-সভাপতি ছাদিকুল ৰহমানে চামগুৰিৰ সমূহ সংখ্যালঘু ৰাইজৰ ভোট বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক দি বিপুল ভোটৰ ব্যৱধানত জয়যুক্ত কৰোৱাৰ সংকল্প গ্ৰহণ কৰে। এআইউইডিএফৰ এনে ঘোষণাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। চামগুৰি সমষ্টিৰ এআইইউডিএফ দলৰ নেতাই সংবাদমেল সম্বোধন কৰি বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন দিয়াৰ বিষয়টোক লৈ আজি ভূপেন কুমাৰ বৰাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে এই কথা আগৰ পৰাই কৈ আহিছো। এআইইউডিএফ আৰু বিজেপিৰ সম্পৰ্কৰ কথা ২০২১ চনৰ নিৰ্বাচনৰ সময়ত ৰাষ্ট্ৰীয় সংবাদমাধ্যমত কৈছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। হিমন্ত বিশ্ব শৰ্মাই কৈছিল যে আজমলৰ সৈতে মোৰ ভাল সম্পৰ্ক আছে। আজমলৰ বহুদিনৰ সপোন আছিল মই মুখ্যমন্ত্ৰী হ'ব লাগে। বিচাৰিলে আজমল ডাঙৰীয়াই টিকট মোৰ মতে দিয়ে। ৰাজ্যসভাত মই ভোট দুটামান বিচাৰিলে মোক ভোটো দিয়ে। ভূপেন কুমাৰ বৰাই আৰু কয় যে টিকট দিববলৈ ক'লে আজমলে মুখ্যমন্ত্ৰীক টিকট দিয়ে, ৰাজ্যসভাত ভোট দিয়ে চামগুৰিৰ ভোটকেইটা দিয়াটো সৰু কথা। চামগুৰিৰ ভোটকেইটা দিববলৈ আজমলক হিমন্ত বিশ্ব শৰ্মাই ক'বই নালাগে। হিমন্ত বিশ্ব শৰ্মাৰ সোঁৰে-বাঁওৰে থকা কোনোবা এজনে কৈ দিলেই চামগুৰিত এইইউডিএফে ভোটকেইটা দি দিব। হিমন্ত বিশ্ব শৰ্মাই এটা কথা জানে যে যিদিনাই অসমত আজমল নাইকিয়া হ'ব সিদিনাই অসমৰ পৰা বিজেপি আৰু আৰএছএছ নাইকিয়া হ'ব। ধুবুৰীত আজমল হৰাতো সাম্প্ৰতিক সময়ত হিমন্ত বিশ্ব শৰ্মাৰ বাবে আটাইতকৈ বেদনাদায়ক কথা। চামগুৰিৰ মাধ্যমেৰে আজমলক পুনৰ বিচাৰি উলিয়াব খোজা হৈছে। পুৰণি বন্ধুত্ব এতিয়া চামগুৰিত মিলাইছে। ইফালে, চামগুৰি সমষ্টিৰ এইইউডিএফে সংবাদমেলযোগে কৰা এনে ঘোষণাৰ পাছতে কেন্দ্ৰীয় এইইউডিএফে তিনি নেতাক দলৰ পৰা নিলম্বন কৰাৰ ঘোষণা কৰিছে। সন্ধিয়াৰ ভাগত এক বিবৃতিযোগে চামগুৰি সমষ্টি এআইইউডিএফৰ সভাপতি ছফিকুল ইছলাম, জিলাৰ সাধাৰণ সম্পাদক ছাদ্দাম হুছেইনৰ লগতে চামগুৰিৰ যুৱমৰ্চাৰ উপ-সভাপতি ছাদিকুল ৰহমানক নিলম্বন কৰিছে। এআইইউডিএফৰ শীৰ্ষ নেতৃত্বই নেতাকেইগৰাকীক কৰা নিলম্বনক নাটক আখ্যা দিছে একাংশ ৰাজনৈতিক বিশ্লেষকে। তেওঁলোকে কয় যে শীৰ্ষ নেতৃত্বৰ গোপন অনুমতি নাথাকিলে এনেকৈ মুকলিকৈ সংবাদমেল দিয়াতো সম্ভৱ নহয়। ইয়াৰ আঁৰত বিশেষ ৰাজনৈতিক উদ্দেশ্য থাকিব পাৰে বুলিও অনুমান ব্যক্ত কৰিছে বহুতে। উল্লেখ্য যে, চামগুৰি সমষ্টিটো এইবাৰ নিজৰ দখললৈ নিববলৈ সম্পূৰ্ণ চেষ্টা অব্যাহত ৰাখিছে বিজেপিয়ে। ইতিমধ্যে ভোট বিভাজন কৰিববলৈ একাধিক সংখ্যালঘু নেতাক সমষ্টিটোত সৰু সৰু দলৰ পৰা আৰু কিছুমানক নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ কৰোৱা হৈছে। এইসকল প্ৰাৰ্থীৰ আঁৰতো বিজেপি আৰু একাংস এআইইউডিএফ নেতাৰ হাত থাকিব পাৰে বুলি চৰ্চা চলা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নোট দি ভোট লয় ফণীয়ে, ক'লে

অসমৰ বঙাইগাঁও সমষ্টিত। আজি দিনৰ পৰা ১২ বজাৰ পাছৰে পৰা বঙাইগাঁও সমষ্টিত কেইবাটাও কাৰ্যসূচীত অংশ লৈ ভূপেন কুমাৰ বৰাই কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ ভোট বিচাৰে। বঙাইগাঁও বিধানসভা সমষ্টিৰ কেইবাটাও এলেকাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশ লোৱাৰ লগতে স্থানীয় নেতা-কৰ্মীৰ সৈতেও আলাপ-আলোচনাত মিলিত হয় ভূপেন বৰা। ব্ৰজেনজিৎ সিংহ বিজয়ী হ'ব বুলি দাবী কৰি বৰাই কয় যে কংগ্ৰেছে এইবাৰ বঙাইগাঁও সমষ্টি দখল কৰিব। এই কথা মই কোৱা নাই। এই কথা সমষ্টিৰ ৰাইজে মোক কৈছে। সাংবাদিকৰ সৈতে মুখামুখি হৈ বৰাই ফণীভূষণ চৌধুৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। ফণীভূষণ চৌধুৰীয়ে নোট দি ভোট আদায় কৰাৰ অভিযোগ উত্থাপন কৰি কয় যে বঙাইগাঁও টাউনত গেলাপানীৰ মাজত মানুহে বসবাস কৰি আছে। গেলাপানীৰ দুৰ্গন্ধৰ মাজত বঙাইগাঁৰৰ মানুহে যোৱা চল্লিশটা বছৰ জীৱন অতিবাহিত কৰিছে। ৰাইজে কৈছে এইবাৰ আমি গেলাপানীৰ পৰা মুক্তি বিচাৰিছো। ড্ৰেইনৰ দুৰ্গন্ধৰ পৰা মুক্তি বিচাৰিছো। চল্লিশ বছৰে আমুৰাই গ'ল। আমি বহুত অপেক্ষা কৰিলো। আমি আৰু অপেক্ষা নকৰো। বঙাইগাঁৰৰ মানুহৰ খং আছে। মোক নিজেই কৈছে। ড্ৰেইনকেইটাই আজি ইমান বছৰে চাফা নহ'ল। ৰাস্তা ভাল কৰি দিয়া নহ'ল। কৃত্ৰিম বানৰ তলত মাহৰ পাছত মাহ ধৰি থাকিব লাগে। মই ৰাইজক কৈছো তাৰ পিছতে ভোট কেনেকৈ সেই মানুহজনে পায়। তেতিয়া মানুহে মোক কৈছে তেওঁ ইলেকচনৰ সময়ত নোট দিয়ে আৰু ভোট লয়। ৰাইজে মোক কৈছে যে এইবাৰ আমি নোটো নলও, ভোটো নিদিও। এইদৰে মন্তব্য কৰি এইবাৰ সমষ্টিটোত কংগ্ৰেছৰ পতাকা উৰিব বুলি কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। উল্লেখ্য যে, এইবাৰ সমষ্টিটোত ফণীভূষণৰ পত্নীয়ে নিৰ্বাচন খেলিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজনীতি ত্যাগ কৰিবলৈ সাজু পাৱাৰ

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা শৰদ পাৱাৰে শেহতীয়াকৈ প্ৰদান কৰিছে ৰাজনীতিৰ পৰা অৱসৰ গ্ৰহণৰ ইংগিত। ৮৩ বৰ্ষীয় অপ্ৰতিৰোধ্য ৰাজনীতিবিদগৰাকীয়ে এই ইংগিত প্ৰদান কৰি কয় যে তেওঁ আৰু ভৱিষ্যতে কোনো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে আৰু যুৱ প্ৰজন্মক দিশ দেখুৱাবলৈ কাম কৰিব। তেওঁ কয়, 'ক'ৰবাত থমকি ৰ'ব লাগিব।' আগন্তুক মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ পিছতে ৰাজনীতিৰ পৰা অৱসৰ গ্ৰহণৰ ইংগিত দিছে শৰদ পাৱাৰে। মঙলবাৰে নাতি যুগেন্দ্ৰ পাৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়ত এখন সভাত শৰদ পাৱাৰে কয়, "মই ক্ষমতাত নাই। মই নিশ্চিতভাৱে ৰাজ্যসভাত আছো। এতিয়াও ডেৰ বছৰ বাকী আছে। কিন্তু ডেৰ বছৰৰ পিছত মই কৰিম, এই বিষয়ে মই চিন্তা কৰিব লাগিব। মই ৰাজ্যসভালৈ যাব বিচাৰো বা নিবিচাৰো, কিন্তু মই কোনো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰো।" উল্লেখ্য যে, ১৯৬৭ চনত প্ৰথমবাৰৰ বাবে বাৰামতীৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল শৰদ পাৱাৰ। ইয়াৰ পিছত সুদীৰ্ঘ ৫৭ বছৰ ধৰি নিৰ্বাচনী ৰাজনীতিত অপৰাজিত হৈ মহাৰাষ্ট্ৰৰ ৰাজনীতিত এক অনন্য নজিৰ গঢ়িবলৈ সক্ষম হয় পাৱাৰে। বৰ্তমান সময়তো ৰাজনীতিৰ পথাৰত অন্যতম গুৰুত্বপূৰ্ণ নেতা হিচাপে পৰিগণিত হৈ থকা শৰদ পাৱাৰে ৰাজনীতিৰ পৰা সন্যাস ল'লেও অৱশ্যে জনতা আৰু সমাজৰ হকে কাম কৰি যাব বুলি মন্তব্য কৰে। তেওঁ কয়, "মই ১৪ বাৰ নিৰ্বাচন প্ৰতিদ্বন্দ্বিতা কৰিছো। আপোনালোকে মোক এবাৰো বিমুখ কৰি ঘৰলৈ ওভতাই পঠিওৱা নাছিল। কিন্তু ক'ৰবাত মই থমকি ৰ'ব লাগিব... মই নতুন প্ৰজন্মক আগুৱাই নিব লাগিব। মই এনেধৰণৰ চিন্তা চৰ্চাৰেই কাম কৰি আছো। কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে মই সামাজিক কাম ত্যাগ কৰিছো।" প্ৰণিধানযোগ্য যে, চাৰিবাৰকৈ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱা শৰদ পাৱাৰ ইউ পি এৰ কাৰ্যকালত প্ৰতিৰক্ষা আৰু কৃষিৰ দৰে কেন্দ্ৰীয় কেবিনেটৰ গুৰুত্বপূৰ্ণ পদবীতো কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৯ চনত পাৱাৰে এন চি পি গঠন কৰে আৰু ২০২৩ চনত তেওঁৰ ভতিজা অজিত পাৱাৰে পৃথক ফৈদ গঠন কৰাৰ পিছত দল বিভাজন হয়। সেই সময়তে অজিত পাৱাৰে বয়সৰ বাবে শৰদ পাৱাৰক ৰাজনীতিৰ পৰা অৱসৰৰ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ পিছতে অজিত পাৱাৰক প্ৰত্যুত্তৰ দি তেতিয়া খুৰাক শৰদ পাৱাৰে কৈছিল- 'ৰাজনীতিৰ পৰা অৱসৰ ল'বলৈ মই ভাগৰুৱা নহয়।" কিন্তু এতিয়া বিধানসভা নিৰ্বাচনৰ পিছতে অৱসৰ গ্ৰহণ কৰাৰ নিজেই ইংগিত দি মহাৰাষ্ট্ৰৰ মাৰাঠা নেতাগৰাকীয়ে কয় যে এতিয়া এনে এক নেতৃত্বৰ সৃষ্টি কৰাৰ সময় আহি পৰিছে, যিয়ে আগন্তুক ত্ৰিশ বছৰলৈ কাম কৰি যাব পাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীৰ ৰাজ্যত মাদ্ৰাছা বন্ধ নহয়

উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ খাৰিজ কৰি এই শিক্ষা আইনক বৈধতা প্ৰদান কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে এলাহাবাদ উচ্চ ন্যায়ালয়ে মাদ্ৰাছা শিক্ষা আইন 'অসাংবিধানিক' বুলি মন্তব্য কৰি এই শিক্ষা আইনখন খাৰিজ কৰিছিল আৰু মাদ্ৰাছাৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীক নিয়মীয়া বিদ্যালয় ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ দিছিল। কিন্তু উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশ আজি খাৰিজ কৰি উচ্চতম ন্যায়ালয়ে মাদ্ৰাছা শিক্ষা আইনখনক 'সাংবিধানিক' আৰু বৈধ বুলি ৰায় প্ৰদান কৰে। মঙলবাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ বিচাৰপীঠে উত্তৰ প্ৰদেশ মাদ্ৰাছা শিক্ষা আইন গোচৰৰ ৰায়দান কৰে। এই সময়ত মুখ্য ন্যায়াধীশৰ বিচাৰপীঠে কয় যে আদালতে মাদ্ৰাছা শিক্ষা আইনৰ বৈধতা সমৰ্থন কৰে। এই আইনখন সাংবিধানিক। এলাহাবাদ উচ্চ ন্যায়ালয়ে ৰায়দান কৰাৰ সময়ত আইনখনৰ মৌলিক গাঁথনিগত ত্ৰুটিৰ কথা আঙুলিয়াই দিছিল। সেইটো ভুল আছিল। বিচাৰপীঠখনে লগতে কয় যে এই আইনখনে মাদ্ৰাছা প্ৰশাসনত প্ৰত্যক্ষভাৱে হস্তক্ষেপ নকৰে। ৰায়দানৰ সময়ত ন্যায়ালয়ে লগতে এই কথাও উল্লেখ কৰে যে মাদ্ৰাছা আইনত ধৰ্মীয় প্ৰশিক্ষণ অন্তৰ্ভুক্ত হোৱাৰ বাবেই ইয়াক অসাংবিধানিক বুলি ক'ব পৰা নাযায়। অৱশ্যে সৰ্বোচ্চ ন্যায়ালায়ে এই আইনখনৰ অধীনত ইছলামিক শিক্ষাত প্ৰদান কৰা 'কামিল' (স্নাতক) আৰু 'ফাজিল' (স্নাতকোত্তৰ) ডিগ্ৰী অসাংবিধানিক বুলি ৰায় প্ৰদান কৰে। আদালতে কয় যে এই ডিগ্ৰী প্ৰদান কৰাটো ইউজিচিৰ নিৰ্দেশনাৰ বিৰুদ্ধ। উল্লেখযোগ্য যে, ২০০৪ চনত সমাজবাদী পাৰ্টিৰ মুৰব্বী মুলায়ম সিং যাদৱ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত 'উত্তৰ প্ৰদেশ মাদ্ৰাছা ব'ৰ্ড শিক্ষা আইন' প্ৰণয়ন কৰা হৈছিল। কিন্তু যোগী আদিত্যনাথ চৰকাৰলৈ অহাৰ কিছু সময়ৰ পাছতেই তেওঁ ৰাজ্যৰ মাদ্ৰাছাৰ জৰীপ আৰম্ভ কৰে। এই সমীক্ষাত প্ৰশ্ন উত্থাপন হয় যে মাদ্ৰাছালৈ কোনো বিদেশী অনুদান আহি আছে নেকি? একে সময়তে ৰাজ্য চৰকাৰেও মাদ্ৰাছা শিক্ষাক 'মূল শিক্ষা ব্যৱস্থা'ত অন্তৰ্ভুক্ত কৰাৰ কাম আৰম্ভ কৰে। এই প্ৰেক্ষাপটতে মাদ্ৰাছা শিক্ষা আইনৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰি এলাহাবাদ উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হয়। ইয়াৰ পিছতে যোৱা মাৰ্চ মাহত উচ্চ ন্যায়ালয়ে মাদ্ৰা শিক্ষা আইন 'অসাংবিধানিক আৰু ধৰ্মনিৰপেক্ষতাৰ আদৰ্শৰ বিপৰীত' বুলি অভিহিত কৰি এই আইন বাতিল কৰে। পৰৱৰ্তী সময়ত উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আজি মুখ্য ন্যায়াধীশৰ বিচাৰপীঠে আইনখনক বৈধতা প্ৰদান কৰে। আদালতে এই ৰায়দানতে মাদ্ৰাছাৰ শিক্ষাৰ মান নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব পাৰে বুলিও মন্তব্য কৰে। প্ৰণিধানযোগ্য যে, উত্তৰ প্ৰদেশত ১৩ হাজাৰৰো অধিক মাদ্ৰাছাত প্ৰায় ১২.৩৪ লাখ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। সৰ্বোচ্চ ন্যায়ালয়ে আজি প্ৰদান কৰা এই ৰায়ৰ পিছতে এতিয়া এই মাদ্ৰাছা আৰু তাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বাধাহীনভাৱে শৈক্ষিক বাটত আগবঢ়াৰ পথ প্ৰশস্ত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেৰালাত ধৃত পলাতক ফিৰদৌচ

অভিযুক্তক আজি কেৰালাত আটক কৰে। প্ৰাপ্ত তথ্য মতে, ফিৰদৌছ ৰহমান(২৯) নামৰ এই লোকজনৰ বিৰুদ্ধে মৰিগাঁও জিলাৰ ভেলোগুৰি আৰক্ষী থানাৰ ৩২/২৩ নম্বৰত এটা গোচৰ ৰুজু হৈ আছিল। আৰক্ষীৰ নজৰৰ পৰা দীৰ্ঘদিনৰ ধৰি পলাতক হৈ থকা ফিৰদৌছ ৰহমানক মৰিগাঁও আৰক্ষীয়ে কেৰেলা আৰক্ষীৰ সহায়ত কেৰেলাৰ আলুভা এৰ্নাকুলাম জিলাৰ পৰা গ্ৰেপ্তাৰ কৰে। ফিৰদৌচ ৰহমানৰ ঘৰ জিলাখনৰ ভেলৌগুৰি থানাৰ অন্তৰ্গত বৰ চাপৰি গাঁৱত। পক'চ গোচৰত অভিযুক্ত হৈ আছিল কেৰালাত ধৰা পৰা ফিৰদৌচ।

# ধৰ্মপ্ৰাণ ব্যক্তি কোষেশ্বৰ শইকীয়াৰ মৃত্যু

**ই-সংবাদ, তিতাবৰ, ৫ নৱেম্বৰঃ** তিতাবৰ মহকুমাৰ ইকৰাণি লোহলীয়া গাঁৱৰ নিবাসী তথা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বৰহোলা আঞ্চলিক শাখাৰ প্ৰাক্তন সম্পাদক কোষেশ্বৰ শইকীয়াৰ (৭৮) যোৱা ৩ নৱেম্বৰত মৃত্যু হয়। ধৰ্মপ্ৰাণ ব্যক্তিগৰাকীৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। উল্লেখ্য যে কোষেশ্বৰ শইকীয়া শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ সেৱক আছিল। বিষ্ণু জ্যোতি প্ৰাথমিক শাখাকে ধৰি স্থানীয় বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে বিভিন্ন সময়ত সভাপতি, সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰিছিল। শইকীয়াৰ মৃত্যুত বৰহোলা, ইকৰাণিৰ অঞ্চলৰ বহুজনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।



চামগুৰিত দুৰ্ঘটনাগ্ৰস্তক সহায় মন্ত্ৰী বিমল বৰাৰ, মঙলবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# তৈয়াময়া ৰণ! এই ট্ৰাম্প, এই কমলা

আৰু ডেম'ক্ৰেটিক পাৰ্টিৰ কমলা হেৰিছ। নিৰ্বাচনী প ৰ্যবেক্ষকৰ বাবে দুয়োৰে মাজৰ যুঁজখন আমেৰিকাৰ নিৰ্বাচনৰ ইতিহাসৰ আটাইতকৈ প্ৰতিযোগিতামূলক যুঁজ হিচাপে বিবেচিত হ'ব পাৰে। এনে সম্ভাব্য পৰিস্থিতিত ৫০খন প্ৰদেশৰ নিৰ্বাচনৰ সম্পূৰ্ণ ফলাফল কেতিয়া আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব সেই লৈ সন্দেহৰ সৃষ্টি হৈছে। উল্লেখ্য যে, ২০২০ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ট্ৰাম্প আৰু ডেম'ক্ৰেট জো বাইডেনৰ মাজত অনুষ্ঠিত হৈছিল নিকট সংগ্ৰাম। নেভাদাকে ধৰি একাংশ ৰাজ্যৰ ভোটগণনাৰ জটিলতাৰ বাবে ফলাফল ঘোষণা কৰাত পলম হয়। সেই নিৰ্বাচনত ভোটদান হৈছিল ৩ নৱেম্বৰত। ৭ নৱেম্বৰত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছিল ইলেক্টৰেল কলেজসমূহৰ নিৰ্বাচনৰ ফলাফল। সেইবাৰ নিৰ্বাচনৰ চাৰি দিন পিছত ফলাফল ঘোষণা কৰা হ'লেও অৱশ্যে ২০১২ আৰু ২০১৬ চনত ভোটগ্ৰহণৰ ৪৮ ঘণ্টাৰ ভিতৰতে ফলাফল ঘোষণা কৰা হৈছিল। মঙলবাৰে বিয়লি (ভাৰতীয় সময়ানুসৰি)ৰ পৰা আৰম্ভ হৈছে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ অন্তিম পৰ্যায়। প্ৰধান প্ৰতিদ্বন্দ্বী দুগৰাকী ট্ৰাম্প আৰু কমলাৰ মাজত বিজয়ী নিৰ্বাচন ভোটাৰৰ পোনপটীয়া ভোটৰ দ্বাৰা নিৰ্ধাৰিত নহ'ব। কেন্দ্ৰীয় (ফেডাৰেল) নিৰ্বাচনৰ পৰিৱৰ্তে প্ৰাদেশিক নিৰ্বাচনৰ দ্বাৰা বিজয়ী আৰু পৰাজয়ৰ সিদ্ধান্ত লোৱা হ'ব। মন কৰিবলগীয়া যে, আমেৰিকাৰ ৫০খন প্ৰদেশৰ ভিতৰত এখনত জয়ী হোৱাৰ অৰ্থ হ'ল প্ৰাৰ্থীয়ে সেই প্ৰদেশখনৰ সকলো ইলেক্টৰেল কলেজৰ ভোট লাভ কৰে। উদাহৰণস্বৰূপে টেক্সাছত ৪০ জন নিৰ্বাচক আছে। ৰাজ্যখনৰ ৪০ জন নিৰ্বাচকত যিজনে সৰ্বাধিক ভোট লাভ কৰিব কমলা হেৰিছ বা ডোনাল্ড ট্ৰাম্পে জয়ী হ'ব। ইলেক্টৰেল কলেজৰ মুঠ ভোটৰ সংখ্যা হৈছে ৫৩৮টা। কেলিফৰ্ণিয়াত ইলেক্টৰেল কলেজৰ মুঠ ভোটৰ সংখ্যা ৫৪টা। আকৌ, নৰ্থ ডাকোটাত মাত্ৰ ৩ টা। অধিক সংখ্যক ভোটাৰ থকা প্ৰদেশত ভোটদান আৰু গণনাতো বেছি সময় লাগিব। মেইন আৰু নেব্ৰাস্কাৰ বাহিৰে সকলো ৰাজ্যৰ নিৰ্বাচনী ভোট যোগ কৰিলে ২৭০ বা তাতকৈ অধিক ভোট লাভ কৰা প্ৰাৰ্থীজন নিৰ্বাচিত হ'ব আমেৰিকাৰ পৰৱৰ্তী ৰাষ্ট্ৰপতিৰূপে। আনহাতে, সেই প্ৰাৰ্থীৰ ৰানিং মেট হ'ব উপ-ৰাষ্ট্ৰপতি। ১৩ ডিচেম্বৰত নিজ নিজ প্ৰাদেশিক ৰাজধানীত সমবেত হৈ নিজৰ দলৰ প্ৰাৰ্থীক ভোট দি ৰাষ্ট্ৰপতি নিৰ্বাচন আনুষ্ঠানিকভাৱে সমাপ্ত কৰিব। কিন্তু তাৰ আগতে আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব ভোটগণনাৰ ফলাফল। হাতেৰে চিহ্নিত কাগজৰ বেলট আৰু বিএমডিত দিয়া ভোট সাধাৰণতে গণনাৰ সময়ত 'অপ্টিকেল স্কেনাৰ' ব্যৱহাৰ কৰি স্কেন কৰা হয়। ইয়াৰ জৰিয়তে স্বয়ংক্ৰিয়ভাৱে ফলাফল লিপিবদ্ধ কৰিব পৰা যায়। এই প্ৰক্ৰিয়াটো প্ৰাদেশিক পৰ্যায়ৰ নিৰ্বাচনী কৰ্তৃপক্ষই পৰিচালনা কৰে। যান্ত্ৰিক গণনাৰ উপৰিও প্ৰয়োজন হ'লে হাতৰ গণনাও উপলব্ধ হয় এই নিৰ্বাচনত। ইয়াৰ উপৰিও কিছুমান প্ৰদেশত আগতীয়া ভোটদানৰ বাবে 'মেইল ইন বেলট' ব্যৱস্থাত দিয়া ভোটৰ বৈধতা আৰু গণনাৰ প্ৰক্ৰিয়াও আছে। প্ৰাদেশিক নিৰ্বাচন কৰ্তৃপক্ষই ১১ ডিচেম্বৰৰ ভিতৰত ফলাফল ফেডাৰেল কৰ্তৃপক্ষক গতাই দিব লাগিব। মঙলবাৰে আমেৰিকাত 'পূব সময় মণ্ডল'ত সন্ধিয়া ৬ বজাৰ পৰা (ভাৰতীয় সময়ানুসৰি বুধবাৰে পুৱা) ভোটগ্ৰহণ আৰম্ভ হোৱাৰ পিছত প্ৰদেশভিত্তিক গণনা আৰম্ভ হ'ব। কেইঘণ্টামানৰ ভিতৰতে ফলাফলৰ প্ৰথম লক্ষণ দেখা পোৱা যায়। উল্লেখ্য যে, ৰাষ্ট্ৰপতি পদৰ ভোটৰ উপৰিও আমেৰিকাৰ কংগ্ৰেছৰ ১০০ জনীয়া উচ্চ সদনৰ ৩৪খন আসন আৰু সদনৰ নিম্ন সদনৰ ৪৩৫খন আসনৰ আটাইকেইখন আসনৰ ভোটদান আৰু গণনাও এই পৰ্যায়ত চলি আছে। শেহতীয়া বাতৰি অনুযায়ী দুয়োগৰাকী প্ৰাৰ্থীৰ মাজত তীব্ৰতৰ হৈ পৰিছে যুঁজ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গছ কটাক লৈ খৰ্গহস্ত ন্যায়ালয়

চৰকাৰলৈ আদালতৰ পৰা আহিছে কঠোৰ নিৰ্দেশ। চৰকাৰে গছ নাকাটিবলৈ কি বিকল্প ব্যৱস্থা গ্ৰহণ কৰিছে সেই কথা ন্যায়ালয়ক অৱগত কৰিব লাগিব। গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এক আৰ্জি সন্দৰ্ভত শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে নিৰ্দেশ দি চৰকাৰক ১১ নৱেম্বৰৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ কয়। গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ ভিত্তিত চৰকাৰলৈ জাননী জাৰি কৰে আৰু ১৩ নৱেম্বৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। এই সময়ছোৱাৰ ভিতৰত চৰকাৰে বিকল্প ব্যৱস্থা লৈছে নে নাই সেই কথা ন্যায়ালয়ক জনাব লাগিব। আবেদনকাৰীৰ হৈ জেষ্ঠ অধিবক্তা কে এন চৌধুৰীয়ে গছ কটা ৰোধ হ'ব লাগে বুলি যুক্তি দৰ্শাই। চৰকাৰী পক্ষৰ হৈ যুক্তি দৰ্শাই মহাধিবক্তা দেৱজিৎ লন শইকীয়াই। গছ কটাক লৈ হৈ থকা প্ৰতিবাদৰ পিছতে বিষয়টোক লৈ আদালতৰ দ্বাৰস্থ হৈছিল অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গছ কাটিব বুলি একাংশ লোকে অপপ্ৰচাৰ চলোৱা বুলিহে দাবী কৰা পৰিলক্ষিত হয়। দীঘলীপুখুৰীৰ গছ কটা নহয় বুলিও তেওঁ কয়। ইপিনে আজি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই দীঘলীপুখুৰীৰ পাৰৰে নহয়, গুৱাহাটীৰ কোনো স্থানৰে চৰকাৰে গছ কাটিব নোৱাৰিব বুলি হুংকাৰ দিয়ে। উন্নয়ন আমাক লাগিব, কিন্তু গুৱাহাটীৰ ঐতিহ্যৰ সৈতে হেতালি খেলিব নোৱাৰিব বুলি স্পষ্ট কৰে আছুৰ মুখ্য উপদেষ্টাগৰাকীয়ে। উল্লেখ্য যে, গছ কটাক লৈ দীঘলীপুখুৰীত অব্যাহত আছে প্ৰতিবাদ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী চৰকাৰৰ ৰোষত উইকিপিডিয়া

শেহতীয়াকৈ উইকিপিডিয়াৰ পেজত পক্ষপাতমূলক আৰু ভুৱা তথ্য সংযোজনৰ কেইবাটাও অভিযোগ উত্থাপিত হোৱাৰ পিছতে বিশ্বকোষ সংস্থাটোলৈ জাননী জাৰি কৰে ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে। এই জাননী অনুসৰি, সংস্থাটোৰ এটা নিৰ্দিষ্ট পৰিচালনা গোট আছে। তদুপৰি পেজত কি তথ্য সংযোজন কৰা হৈছে সেয়া চোৰাচিতা কৰিবলৈও আছে ভাগে ভাগে লোক। এনে পৰিপ্ৰেক্ষিতত অনলাইন বিশ্বকোষ সংস্থাটোক 'প্ৰকাশক' বুলি নকৈ কিয় 'মাধ্যম' বুলি গণ্য কৰা উচিত সেয়াও সংস্থাটোৰ পৰা জানিব বিচাৰিছে ভাৰত চৰকাৰে। উল্লেখ্য যে, ইতিমধ্যে উইকিপিডিয়াৰ বিৰুদ্ধে গোচৰ চলি আছে দিল্লী উচ্চ ন্যায়ালয়ত। অনলাইন বিশ্বকোষ সংস্থাটোৰ বিৰুদ্ধে আদালতত এই গোচৰ তৰিছিল সংবাদ সংস্থা এ এন আইয়ে। মিডিয়া সংস্থাটোৰে অভিযোগ কৰা মতে, উইকিপিডিয়াত তেওঁলোকৰ বিষয়ে ভুল তথ্য সংযোজন কৰা হৈছে। যোৱা শুকুৰবাৰে এই গোচৰৰ শুনানি গ্ৰহণ কৰি দিল্লী উচ্চ ন্যায়ালয়ে পুনৰবাৰ কাঠগৰাত জেৰা কৰে উইকিপিডিয়াক। মন কৰিবলগীয়া যে, উইকিপিডিয়াই নিজকে 'মুক্ত বিশ্বকোষ' বুলি দাবী কৰি কৈ আহিছে যে তেওঁলোক কোনো তথ্যৰ 'প্ৰকাশক' নহয়, বৰং কেৱল 'মাধ্যম'হে। অনলাইন বিশ্বকোষ সংস্থাটোৰ এই দাবীৰ প্ৰেক্ষাপটত উচ্চ ন্যায়ালয়ে প্ৰশ্ন কৰে যে, "আপুনি যদি কেৱল এটা মাধ্যম, তেন্তে আপুনি ইমান চিন্তা কিয় কৰিছে?" ইফালে উইকিপিডিয়াই দাবী কৰে যে তেওঁলোক যিহেতু 'প্ৰকাশক' নহয়, গতিকে পেজত প্ৰকাশিত তথ্যৰ বাবে তেওঁলোক কোনোপধ্যেই দায়ী নহয়। এই প্ৰসংগত উচ্চ ন্যায়ালয়ে কয় যে এই বিষয়টো বেছ 'জটিল' অনুমান হৈছে। ইয়াৰ পূৰ্বে শুনানিৰ সময়ত অনলাইন বিশ্বকোষৰ অধিবক্তা জয়ন্ত মেহতাই শপতনামা দাখিল কৰি দাবী কৰে যে উইকিপিডিয়াত 'সম্পাদনা' কৰা ইউজাৰসকলে কিছুমান নিয়ম-নীতি মানি চলিব লাগে। তেতিয়াহে তেওঁলোকে 'অনলাইন বিশ্বকোষ'ত কোনো তথ্য যোগ কৰিব পাৰে। অধিবক্তাগৰাকীয়ে কয়, 'উইকিপিডিয়া কোনো ফেচবুক বা আন ছ'চিয়েল মিডিয়া পেজ নহয় য'ত যিকোনো ব্যক্তিয়ে ইচ্ছামতে লিখিব বা পোষ্ট কৰিব পাৰে। ই এক বিশ্বকোষ। ইয়াত কেৱল 'ইউজাৰ'-এহে তথ্য যোগ কৰিব পাৰে। আৰু তেওঁলোকৰ বিশ্বাসযোগ্যতা থাকিব লাগিব।" তেওঁ লগতে কয়, "যিকোনো তথ্য সংযোজন কৰাৰ সময়ত বেছ কিছু নীতি-নিয়ম মানি চলিবলগীয়া হয় আৰু সেই তথ্যসমূহো পৰীক্ষা কৰা হয়।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত সুধাকণ্ঠৰ পূৰ্ণাৱয়ব

প্ৰমোদ বড়োৱে। ড° ভূপেন হাজৰিকা স্মাৰক সমিতিৰ উদ্যোগত আৰু বিটিচি প্ৰশাসনৰ পৃষ্ঠপোষকতাত জিলা আয়ুক্তৰ বাসভৱনৰ সমীপত নিৰ্মাণ হোৱা ড° ভূপেন হাজৰিকাৰ ১০ ফুট ৬ ইঞ্চি উচ্চতাৰ প্ৰতিমূৰ্তিটো আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে স্মাৰক সমিতিৰ উদ্যোগক প্ৰশংসা কৰি এয়া এক নতুন যুগৰ আৰম্ভণি হোৱা বুলি সদৰী কৰে। তেওঁ কয় যে কোকৰাঝাৰৰ মাজমজিয়াত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি স্থাপন হোৱাটো সমন্বয় আৰু মানৱতাৰ প্ৰতীক। বড়োলেণ্ড অঞ্চল যে সকলো জাতি-জনগোষ্ঠীৰ মিলনভূমি তথা সমন্বয়ৰ ক্ষেত্ৰ সেয়া দাঙি ধৰিছে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে দীঘলীয়া সময়ছোৱাত এই অঞ্চলত মানসিক দ্বন্দ, ভুল বুজাবুজিৰ সৃষ্টি হৈছিল। এতিয়া এই সকলোবোৰ অন্ত পৰিল আৰু ড° ভূপেন হাজৰিকাই দেখুৱাই যোৱা সমন্বয়-সম্প্ৰীতিৰ পথেৰে বড়োলেণ্ড আগবাঢ়ি সমন্বয়থলীত পৰিণত হৈছে। উল্লেখ্য যে ৰাজ্যৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, বিধায়ক লৰেঞ্চ ইছলাৰীৰ উপস্থিতিত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰাৰ পিছতেই এক মুকলি সভা অনুষ্ঠিত হয়। বড়ো ভাষাত "মানুহে মানুহৰ বাবে ..." গীতটি পৰিৱেশনৰ পিছতেই আৰম্ভ হোৱা মুকলি সভাত অতিথিসকলক অভ্যৰ্থনা সমিতিয়ে উষ্ম আদৰণি জনায়। মুকলি সভাৰ মুখ্য অতিথিৰ ভাষণত প্ৰমোদ বড়োৱে কয় যে ভূপেন হাজৰিকাৰ ২০০টা গীত বড়ো ভাষাত অনুবাদ কৰা হ'ব আৰু ইয়াৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া আৰু বড়ো বিভাগক দায়িত্ব দিয়া হৈছে আৰু কামখিনি অতি সোনকালে কৰিবলৈ কোৱা হৈছে। ইয়াৰোপৰি ১০ কোটি টকা ব্যয়েৰে বাক্সাৰ জালাহত ভূপেন হাজৰিকা ভৱন নিৰ্মাণ কৰা হ'ব আৰু তামুলপুৰত কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি সদৰি কৰিছে প্ৰমোদ বড়োৱে। ঈশ্বৰে পৃথিৱীৰ প্ৰয়োজনসাপেক্ষে কেতিয়াবা কেতিয়াবা মহামানৱৰ জন্ম দিয়ে আৰু আজি কোকৰাঝাৰত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিবলৈ পাই নিজকে ধন্য মানিছো বুলি ভাষণত উল্লেখ কৰি প্ৰমোদ বড়োৱে কয় যে পৃথিৱীখন বহু আগুৱাই গ'ল। তেওঁলোক চৰকাৰ গঠন কৰাৰ পিছত হিংসা বন্ধ হ'ল, জাতিগত হিংসা বন্ধ হ'ল। শান্তি-নিৰাপত্তা ঘূৰি আহিছে। এই শান্তি-নিৰাপত্তা স্থায়ী কৰাৰ বাবে সকলোৰে সহযোগিতাৰ প্ৰয়োজন। বিটিআৰত থকা ১৮টা জনগোষ্ঠীৰ কলা-কৃষ্টি-সংস্কৃতিক স্বীকৃতি দিয়াৰ বাবে বিটিআৰ চৰকাৰে কাম কৰি আছে বুলি উল্লেখ কৰি সকলোৰে মিলি বড়োলেণ্ডক সমন্বয় ক্ষেত্ৰত পৰিণত কৰাৰ আহ্বান জনাইছে প্ৰমোদ বড়োৱে। উল্লেখ্য যে আজি প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানতে "ভূপেন্দ্ৰ বৈভৱ" নামৰ এখন স্মৰণিকা উন্মোচন কৰা হয়। ড° ভূপেন হাজৰিকা স্মাৰক সমিতিৰ উদ্যোগত আজি অনুষ্ঠিত হোৱা প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেঞ্চ ইছলাৰী আদিকে ধৰি বহু বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী উপলক্ষে ভূপেন হাজৰিকা স্মাৰক সমিতিৰ উদ্যোগত আৰু বিটিচি চৰকাৰৰ পৃষ্ঠপোষকতাত কোকৰাঝাৰত এইবেলি যোৱা তিনি নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। আজি মৃত্যু বাৰ্ষিকীৰ দিনটোত কোকৰাঝাৰত ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচনেৰে কাৰ্যক্ৰমনিকাৰ যৱনিকা পেলায়।

# শিৱসাগৰ অসামৰিক চিকিৎসালয়ত বৃদ্ধাক হাৰাশাস্তি, ইচিজি কৰিবলৈ লাগে ৫ দিন!

**ই-সংবাদ, শিৱসাগৰ, ৫ নৱেম্বৰঃ** শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ স্বাস্থ্যকৰ্মীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ তুলিছে ৰোগীয়ে। ৫ দিন উকলি যোৱাৰ পাছতো ৬০ উৰ্ধৰ এগৰাকী মহিলা ৰোগীক ইজিচি সম্পন্ন নকৰাৰ অভিযোগ উঠিছে। ৰাণীমাই কলিতা নামৰ ৬০ উৰ্ধৰ এগৰাকী মহিলাক চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰাৰ অন্তত হৃদৰোগ সম্বন্ধীয় অসুখ থকাৰ সন্দেহ কৰি ইচিজি কৰিবলৈ পৰামৰ্শ দিয়ে। উল্লেখ্য যে ৰাণীমাই কলিতা ২ নৱেম্বৰৰ পৰা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ মহিলা মেডিচিন ৱাৰ্ডত ভৰ্তি হৈ আছিল। চিকিৎসকৰ পৰামৰ্শ অনুযায়ী অকলশৰীয়া মহিলাগৰাকীয়ে ২ নৱেম্বৰ পৰা কেইবাদিনো উকলি যোৱাৰ পাছতো ইচিজি কৰিবলৈ সক্ষম নহ'ল। ইচিজিৰ নামত বয়োজ্যেষ্ঠ মহিলাগৰাকীয়ে এটা বিভাগৰ পৰা আন এটা বিভাগলৈ তাত-বাতি কাটি থাকিবলগীয়া অৱস্থা হৈছে। মহিলাগৰাকীক চিকিৎসাৰ নামত হাৰাশাস্তি কৰাৰ অভিযোগ আনিছে অসমীয়া যুৱ মঞ্চই। উল্লেখ্য যে শিৱসাগৰ অসামৰিক চিকিৎসালয়ে শিৱসাগৰ জিলাৰ বহু সাধাৰণ নাগৰিকৰ ৰোগীৰ বাবে শেষ আশ্ৰয়স্বৰূপ। তেনেস্থলত একৰাকী অকলশৰীয়া বয়োজ্যেষ্ঠ মহিলাৰ চিকিৎসাৰ ক্ষেত্ৰত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ স্বাস্থ্যকৰ্মীৰ এনে কাণ্ডজ্ঞানহীনতাৰ বাবে জাঙুৰ খাই উঠে অসমীয়া যুৱ মঞ্চৰ জয়সাগৰ আঞ্চলিক সমিতি। মহিলাগৰাকীক কিয় ইচিজি কৰিবলৈ ইমান দিনৰ প্ৰয়োজন বুলি অসমীয়া যুৱ মঞ্চই চিকিৎসালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ অন্তত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত পৰ্য্যাপ্ত কৰ্মচাৰী নাই বাবে ততাতৈয়াকৈ পৰীক্ষাসমূহ কৰা সম্ভৱ নহয় বুলি স্বীকাৰোক্তি দিছে। বিষয়টো সন্দৰ্ভত অসমীয়া যুৱ মঞ্চৰ জয়সাগৰ আঞ্চলিক সমিতিয়ে শিৱসাগৰ জিলাৰ আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে। শিৱসাগৰ অসামৰিক চিকিৎসালয়ত খালী হৈ থকা পদসমূহ পূৰণ কৰাকে ধৰি ৮ টা দাবী সম্বলিত স্মাৰক পত্ৰ আয়ুক্তক প্ৰদান কৰাৰ লগতে চিকিৎসালয়খনৰ এই সমস্যাসমূহ ১৫ দিনৰ ভিতৰত সমাধান নকৰিলে চিকিৎসালয়ৰ সন্মুখত আন্দোলনৰ হুংকাৰ দিয়ে যুৱ মঞ্চই।

# এমিতি একাডেমীত প্ৰতিভা সন্ধানী পৰীক্ষা সম্পন্ন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৪ নৱেম্বৰঃ** বাইহাটা চাৰিআলি এমিতি একাডেমীৰ উদ্যোগত একাডেমী প্ৰাঙ্গনত দেওবাৰে প্ৰতিভা সন্ধানী পৰীক্ষা, ২০২৪ অনুষ্ঠিত হৈ যায় । প্ৰাপ্ত বাতৰি অনুসৰি দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত উক্ত প্ৰতিভা সন্ধানী পৰীক্ষাত কামৰূপ, দৰং আৰু বাক্সা জিলাৰ চাৰি শতাধিৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত শিক্ষাৰ্থীক নগদ ১০ হেজাৰ, ৭ হেজাৰ আৰু ৫ হেজাৰ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি একাডেমীৰ অধ্যক্ষ কৃষ্ণকান্ত কলিতা আৰু শৈক্ষিক উপদেষ্টা ৰাজেন্দ্ৰ চৌধুৰীয়ে জানিবলৈ দিয়ে। এমিতি একাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰীৰ তত্ত্বাৱধানত অনুষ্ঠিত প্ৰতিভা সন্ধানী পৰীক্ষাত অৱতীৰ্ণ প্ৰতিগৰাকী পৰীক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকসকলক একাডেমীৰ তৰফৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে একাডেমীখনৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু শিক্ষক-শিক্ষয়িত্ৰীবৃন্দই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

কণ্ঠশিল্পী পাহাৰী দাস, মৃণালকান্তি মেধিৰ সংগীতানুষ্ঠানেৰে জীপাল হৈ পৰিল তেজপুৰৰ কলাভূমি

# শোণিতপুৰত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু দিৱস উদযাপন

**ই-সংবাদ, তেজপুৰ, ৫ নৱেম্বৰঃ** অসমীয়া সংগীত সাহিত্য, চলচ্চিত্ৰ জগতৰ অন্যতম কাণ্ডাৰী ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ স্মৃতিদিৱস তেজপুৰৰ বিভিন্ন অনুষ্ঠান, সংগঠনৰ লগতে তেজপুৰৰ কলাভূমিত শোণিতপুৰ জিলা প্ৰশিসনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উদ্দেশ্যে শোণিতপুৰ জিলা আয়ুক্ত অংকুৰ ভড়ালী আৰু বিধায়ক পৃথ্বিৰাজ ৰাভা, বাণ থিয়েটাৰৰ সভাপতি, গীতিকাৰ বংকিম শৰ্মা, জ্যোতি ভাৰতীৰ সাংস্কৃতিক বিষয়া সৌৰভ পানী ফুকন আদি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি সুধাকণ্ঠগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক পৃথ্বিৰাজ ৰাভাই শিশু ভূপেনৰ লগত বিষ্ণুৰাভাৰ সম্পৰ্ক আৰু ১০বছৰ বয়সতে গীতৰ বাবে কলিকতাত চেনোলা কোম্পানীত জীৱনৰ প্ৰথম সংগীত 'কাষতে কলচী লৈ' গীতটি বাণীবদ্ধ কৰা আৰু পিছত সংগীত, চলচ্চিত্ৰ, গীতি সাহিত্য আৰু সমাজ নীতিৰ জ্ঞান দি ভূপেন হাজৰিকাক এজন পূৰ্ণ সাংস্কৃতিক কৰ্মী হিচাপে গঢ়াৰ ক্ষেত্ৰত জ্যোতি, বিষ্ণু, ফণী শৰ্মাৰ অৱদানৰ কথা স্মৰণ কৰে। লগতে গণ নাট্য সংঘৰ লগত জড়িত কৰাই মানুহৰ সুখ, দুখ, প্ৰেম আৰু বিষাদৰ ধ্যান-ধাৰণাক হাজৰিকাৰ অন্তৰত সাঁচ বহুৱাৰ ক্ষেত্ৰত আৰু পিতৃ নীলকান্তৰ অনুৰোধ ৰক্ষা কৰি এগৰাকী সমাজ সচেতন গণ শিল্পী হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত কৰা পৰিশ্ৰমৰ কথাও আন্তৰিকতাৰে স্মৰণ কৰে। জিলা আয়ুক্ত অংকুৰ ভড়ালীয়ে অসমীয়া জাতীয় জীৱনত ভূপেনদাৰ অৱদান আন্তৰিকতাৰে স্মৰণ কৰে। অনুষ্ঠানত বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই তেজপুৰ আৰু বাণ থিয়েটাৰৰ লগত জ্যোতি, বিষ্ণু ৰাভা, ফণী শৰ্মাৰ লগতে ভূপেন হাজৰিকাৰ সম্পৰ্কৰ কথাবোৰ স্মৰণ কৰে। বিশিষ্ট কণ্ঠশিল্পী মনোজ নাথ, বিতোপন বৰাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ উপৰি আৰম্ভণিতে 'এই ব'হাগ এক জ্বলন্ত অৰুণ, এই ব'হাগ দুৰুন্ত তৰুণ' সমবেত সংগীতৰে আজিৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। আজিৰ অনুষ্ঠানত উপস্থিত থাকি কলাভূমিৰ প্ৰতিষ্ঠা কালৰ অন্যতম উদ্যোক্তা শান্তনু মহন্ত, কবি, সাহিত্যিক, লেখিকা সমাৰোহ সমিতিৰ সহঃ সম্পাদিকা ৰুমা দেৱীয়ে ভূপেন হাজৰিকাই অসমীয়া জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু নতুন প্ৰজন্মক তেখেতৰ গীত-মাত আৰু সামাজিক সচেতনতামূলক আদৰ্শৰাজি গ্ৰহণ কৰিবলৈও আহ্বান জনায়। সন্ধিয়াৰ পৰা আৰম্ভ হোৱা বিশিষ্ট কণ্ঠশিল্পী পাহাৰী দাস আৰু মৃণালকান্তি মেধিৰ সংগীতানুষ্ঠানে সকলোকে মোহিত কৰে।

## বটদ্ৰৱাত দুগৰাকী শিক্ষাগুৰুক সম্বৰ্ধনা

**ই-সংবাদ, বেবেজীয়া, ৫ নৱেম্বৰঃ** নগাঁও জিলাৰ বটদ্ৰৱা মণ্ডল সমল কেন্দ্ৰৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ উদ্যোগত সদ্য অৱসৰপ্ৰাপ্ত দুগৰাকী কৃতী শিক্ষাগুৰুক বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে মঙলবাৰে এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। এই মৰ্মে, বটদ্ৰৱা চৰকাৰী বালক নিম্ন বুনিয়াদী বিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হোৱা সভাখনিত সভাপতিত্ব কৰে বটদ্ৰৱা চৰকাৰী বালিকা নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মনিমা বৰাই। বটদ্ৰৱা চৰকাৰী বালক নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমচন্দ্ৰ নাথৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা সভাখনিত সুদীৰ্ঘকাল শিক্ষাবৃত্তিত জড়িত থাকি শেহতীয়াভাৱে অৱসৰ গ্ৰহণ কৰা বটদ্ৰৱা চৰকাৰী বালক নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক তুৰাৰাম বৰুৱা আৰু বটদ্ৰৱা বৰভেটি মোক্তাৰৰ শিক্ষয়িত্ৰী মঞ্জু কলিতাক ফুলাম গামোচা, গ্ৰন্থ, শৰাই, গছপুলি আৰু প্ৰশস্তি পত্ৰৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰা দুইগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ শিক্ষকতা জীৱনৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে শিক্ষকৰ সামাজিক দায়বদ্ধতা, দায়িত্ব আৰু কৰ্তব্য পালনৰ বিষয়ে আলোকপাত কৰে। বটদ্ৰৱা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰাম প্ৰসাদ নাথে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত বটদ্ৰৱা মণ্ডল সমল কেন্দ্ৰৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে বহুকেইজন অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

## শিক্ষাবিদ, সু-লেখক মোহিনী মহন্তক সাহিত্য সৌৰভ বঁটা প্ৰদান

**ই-সংবাদ, আমগুৰি, ৫ নৱেম্বৰঃ** বিশিষ্ট শিক্ষাবিদ, সু-লেখক, অৱসৰপ্ৰাপ্ত প্ৰবক্তা মোহিনী মহন্তক আজি পিয়লি ফুকন শাখা সাহিত্য সভাই ড০ ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সাহিত্য সৌৰভ বঁটা ২০২৪ প্ৰদান কৰে। উল্লেখ্য যে, আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শিৱসাগৰ জিলাৰ নামতিৰ পি এম শ্ৰী ৮০৬ নং কৰুণাসাগৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত পিয়লি ফুকন শাখা সাহিত্য সভাই সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানটোত পুৱা ড০ ভূপেন হাজৰিকা প্ৰতিচ্ছবিত শিক্ষক কুলেশ্বৰ বৰুৱাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰাৰ পাছতেই পিয়লি ফুকন শাখা সাহিত্য সভাৰ সভাপতি দেৱযানী মহন্তৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত হয়। সম্পাদক দেৱযানী শইকীয়া গগৈয়ে আদৰণি অভিভাষণ আগবঢ়োৱাৰ পাছতেই কৰুণাসাগৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভূপেন হাজৰিকাৰ গীতৰ ওপৰত আধাৰিত নৃত্য-গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। ইফালে, অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰবক্তা জীৱমণি নাথে বঁটা প্ৰাপক মোহিনী মহন্তক উদ্দেশ্যি কয় যে মহন্তৰ সমগ্ৰ ৰচনাৱলী সংগ্ৰহ কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰাৰ উদ্যোগ শাখা সাহিত্য সভাই লোৱা উচিত। তেওঁৰ তথ্য সমৃদ্ধ তত্ত্বগধুৰ বিভিন্ন বিষয়ত লিখা সাহিত্য আছে আৰু বহু উকৃষ্ট লেখনি হেৰাই যোৱাৰ পথত। তদুপৰি পিয়লি ফুকন শাখা সাহিত্য সভাই মোহিনী মহন্তক সাহিত্য সৌৰভ বঁটা আগবঢ়াই উপযুক্ত ব্যক্তিক উপযুক্ত সন্মান আগবঢ়োৱা হৈছে বুলি আনন্দ প্ৰকাশ কৰি বঁটা, সন্মান, স্বীকৃতিয়ে মানুহৰ কাম কৰাৰ উদ্যম বৃদ্ধি কৰে বুলি মন্তব্য কৰে। ইয়াৰ পাছতেই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সু-লেখক, বিশিষ্ট সমাজকৰ্মী, শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা মোহিনী মহন্তক নামতি পিয়লি ফুকন শাখা সাহিত্য সভা প্ৰণীত "সাহিত্য সৌৰভ বঁটা ২০২৪" প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদগৰাকীয়ে পিয়লি ফুকন শাখা সাহিত্য সভাই আগবঢ়োৱা এই আদৰ, সন্মান, স্বীকৃতিৰ বাবে তেওঁ সুখী হোৱা বুলি মন্তব্য কৰি আজীৱন সাহিত্য সভাৰ লগত সংযুক্ত হৈ থাকিব বুলি কয়। শতাধিক ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ উপস্থিত থকা অনুষ্ঠানটোৰ কাৰ্যসূচী অনুসৰি মৌচুমী হাতীবৰুৱা, অসমা তুংখুঙীয়া আৰু ঈষাণী ভট্টাচাৰ্যই কবিতা আবৃত্তি, জোনমণি দেৱী আৰু ৰিড গগৈয়ে গীত পৰিৱেশন আৰু সংগীতালেখ্য পাঠ কৰে বীজুমণি মহন্তই। শিৱসাগৰ জিলা সাহিত্য সভাৰ সহঃ সম্পাদক মনোজ গগৈ, কৰুণাসাগৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰুমী তামুলী, নামতি কবি সন্মিলনৰ সম্পাদক আশালিমা চেতিয়া, কালুগাঁও কবি সন্মিলনৰ সম্পাদক মহেন্দ্ৰ নাথৰ লগতে সাহিত্য ক্ষেত্ৰখনৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থকা ড০ ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত অমিয়া মহন্তই শলাগৰ শৰাই আগবঢ়ায়। পিছত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে সংখ্যালঘু অধ্যুষিত মৈৰাবাৰীত ভাষা গৌৰৱ সপ্তাহ পালন

**ই-সংবাদ, লাহৰীঘাট, ৫ নৱেম্বৰঃ** দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় কেবিনেটত দেশৰ মুঠ ১১টা ভাষাৰ অন্যতম হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাত সমগ্ৰ অসমতে পালন কৰা হৈছে ভাষা গৌৰৱ সপ্তাহ। আজি মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাহৰীঘাট সমজিলাৰ সহযোগত সংখ্যালঘু অধ্যুষিত মৈৰাবাৰীতো ভাষা গৌৰৱ সপ্তাহ সগৌৰৱেৰে উদযাপন কৰা হয়। সমগ্ৰ অসমত ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ চলিব লগীয়া সপ্তাহজোৰা উদযাপনৰ লগত সংগতি ৰাখি মৈৰাবাৰীতো ব্যাপক আয়োজন আৰু উলহ-মালহেৰে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হয়। ইয়াৰ লক্ষ্য হৈছে অসমীয়া ভাষাৰ সমৃদ্ধি আৰু ইয়াৰ সাংস্কৃতিক ঐতিহ্যক প্ৰচাৰ কৰা। মৈৰাবাৰী অঞ্চলটোৰ ৫ হাজাৰৰো অধিক লোকেৰে সমৃদ্ধ এক প্ৰাণৱন্ত সাংস্কৃতিক শোভাযাত্ৰাৰ জৰিয়তে বাসিন্দাসকলক মোহিত কৰি অসমৰ বৈচিত্ৰ্যময় পৰম্পৰা প্ৰদৰ্শন কৰা হয়। পুৱা ১০ বজাত স্থানীয় বিদ্যালয়, সাংস্কৃতিক গোট, সামূহিক সংগঠনকে ধৰি অংশগ্ৰহণকাৰীসকলে ৰাজপথৰ মাজেৰে নৃত্য প্ৰদৰ্শন কৰি আনন্দ আৰু ঐক্যৰ পৰিৱেশৰ সৃষ্টি কৰে। মৈৰাবাৰী মহাবিদ্যালয়ৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক শোভাযাত্ৰাত হেজাৰ হেজাৰ লোকে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত মৈৰাবাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। মৈৰাবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত প্ৰাচীন কালৰে পৰা অগণন পণ্ডিত গৱেষকে অশেষ কষ্ট স্বীকাৰ কৰি অসমীয়া ভাষাক এক সন্মানজনক পৰ্যায়ত নিবলৈ সক্ষম হৈছে বুলি প্ৰবক্তা দলিল আহমেদে মন্তব্য কৰে। আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ পূৰ্বে বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা শুভাৰম্ভ কৰে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। আয়ুক্ত দেৱাশীষ শৰ্মাই অসমীয়া ভাষা সন্দৰ্ভত এক তথ্য গধুৰ ভাষণ প্ৰদান কৰে।




ভাষা গৌৰৱ সপ্তাহৰ জৰিয়তে অসমীয়া ভাষাৰ নতুন দিশ মুকলি হ'ব বুলি আয়ুক্ত দেৱাশীষ শৰ্মাই মত প্ৰকাশ কৰে। সাংস্কৃতিক শোভাযাত্ৰা শেষ হোৱাৰ পাছত আয়োজিত আলোচনা চক্ৰত বিশিষ্ট লেখক, চিন্তাবিদ, সমালোচক অংশুমান দাসে অসমীয়া ভাষা সংৰক্ষণ আৰু প্ৰচাৰৰ গুৰুত্বৰ ওপৰত এক প্ৰেৰণাদায়ক ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত মৰিগাঁও জিলা প্ৰশাসনৰ লগতে লাহৰীঘাট সমজিলাৰ চিডিচি প্ৰাঞ্জল বৰুৱা মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ, মৈৰাবাৰী অঞ্চলৰ জ্যেষ্ঠ নাগৰিক, অৱসৰপ্ৰাপ্ত প্ৰবক্তা আব্দুল গফুৰ চাহাবৰ লগতে বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে, একেদিনাই ভাষা গৌৰৱ সপ্তাহ উপলক্ষে মৈৰাবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, মৈৰাবাৰী শাখাৰ পৰিচালনাত আজি পুৱাৰ ভাগত মৈৰাবাৰী মহাবিদ্যালয় প্ৰাংগণত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় কবিতা আবৃত্তি আৰু ৰচনা প্ৰতিযোগিতা। 'অসমীয়া ভাষা চৰ্চাত নৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক ৰচনা প্ৰতিযোগিতাখনিত শীৰ্ষ তিনিটা স্থান লাভ কৰে মৈৰাবাৰী মহাবিদ্যালয়ৰ ছাত্ৰী ক্ৰমে খাইৰুন নেহাৰ (স্নাতক পঞ্চম ষান্মাসিক), আনিকা ফেৰদুছ (স্নাতক প্ৰথম ষান্মাসিক) আৰু মুশ্বফিকা ফেৰদুছী (স্নাতক প্ৰথম ষান্মাসিক)-য়ে। আনহাতে 'লাচিত বৰফুকন' নতুবা 'মমতাৰ চিঠি' শিৰোনামৰ কবিতা আবৃত্তি প্ৰতিযোগিতাখনিত শীৰ্ষ তিনিটা স্থান দখল কৰে ক্ৰমে মৈৰাবাৰী মহাবিদ্যালয়ৰ মুকছিদুল ইছলাম (স্নাতক প্ৰথম ষান্মাসিকৰ ছাত্ৰ), মুহচিনা আখতাৰা (স্নাতক প্ৰথম ষান্মাসিকৰ ছাত্ৰী) আৰু মৈৰাবাৰী নিউ ছেকেণ্ডাৰী স্কুলৰ আছমা বেগম (দশম শ্ৰেণীৰ ছাত্ৰী)-এ। প্ৰতিযোগিতাৰ অন্তত বিজয়ী প্ৰতিযোগীসকলক একোখনকৈ ফুলাম গামোচা আৰু মানপত্ৰেৰে মৰিগাঁও জিলা প্ৰশাসনৰ তৰফৰ পৰা মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত মুকলি সভাত পুৰস্কৃত কৰা হয়।

# বাঘজানত সুধাকণ্ঠ দিৱস উদযাপন, শিক্ষকক সম্বৰ্ধনা

**ই-সংবাদ, ডুমডুমা, ৫ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘ আৰু সদৌ মৰাণ ছাত্ৰ সন্থা বাঘজান শাখা সমিতিৰ যৌথ উদ্যোগত স্থানীয় দল-সংগঠন, বাঘজান সমল কেন্দ্ৰৰ শিক্ষকসমাজ আৰু বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়ৰ প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে 'সুধাকণ্ঠ দিৱস উদযাপন আৰু বিদায়ী সম্বৰ্ধনা অনুষ্ঠান' অনুষ্ঠিত হয়। এই উপলক্ষে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ অনুষ্ঠানৰ পাছতে কমল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত বিদ্যালয়ৰ প্ৰাক্তন আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে সংগীত, নৃত্য, কবিতা আদি পৰিৱেশন কৰে। এই অনুষ্ঠানত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘ, সদৌ মৰাণ ছাত্ৰ সন্থা বাঘজান শাখা, বাঘজান সমল কেন্দ্ৰ, বিদ্যালয়ৰ পৰিচালনা সমিতি, প্ৰাক্তন আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যদুনাথ মৰাণক ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, প্ৰধান শিক্ষকগৰাকীয়ে সুদীৰ্ঘ ৩৬ বছৰ বিদ্যালয়খনত শিক্ষকতাৰ অন্তত যোৱা ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰে। সমান্তৰালকৈ বাঘজানস্থিত কলিয়াপানী শাস্ত্ৰীজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপজ্যোতি বৰুৱা, ১ নং বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী সংগীতা দত্ত কাকতিয়ে গৃহ জিলালৈ বদলি হোৱাত তেওঁলোককো উক্ত অনুষ্ঠানতেই বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ কেন্দ্ৰীয় সাঃ সম্পাদক মিণ্টু মৰাণ, বাঘজান সমল কেন্দ্ৰৰ সমন্বয়ক দুলমণি গগৈ, বাঘজান গাঁও পঞ্চায়তৰ তদানীন্তন কাউন্সিলাৰ সননজ্যোতি গোহাঁই, বাঘজান গাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেশ বৰুৱা, ১ নং বাঘজান প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ফণীধৰ মৰাণ, যদুনাথ মৰাণৰ সহধৰ্মিনী সোণটি মৰাণ, বাঘজান-দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়, ১ নং বাঘজান গাঁও, দীঘলটৰং চাহ বাগিচা, দীঘলটৰং গেটলাইন, ১ নং বাঘজান, দীঘলটৰং ১০ নং লাইন, ইটাভাটা, দীঘলটৰং ১২ নং লাইন, কলিয়াপানী শাস্ত্ৰীজী, কৰুৱাবস্তি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপৰি স্থানীয় দল-সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে।

# অসম সাহিত্য সভাৰ সভাপতিৰ পেনেলৰ বিৰুদ্ধে সৰৱ মৰিগাঁও জিলা সমিতি




**ই-সংবাদ, মৰিগাঁও, ৫ নৱেম্বৰঃ** অসম সাহিত্য সভাৰ সভাপতিৰ পাঁচজনীয়া পেনেলখন শীঘ্ৰে বাতিল কৰিবলৈ দাবী জনাইছে মৰিগাঁও জিলা সাহিত্য সভাই। জিলা সাহিত্য সভাৰ আজি অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভাত এই এই সম্পৰ্কত এক প্ৰস্তৱ গ্ৰহণ কৰি এই প্ৰস্তাৱৰ প্ৰতিলিপি অসম সাহিত্য সভালৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। জিলা সাহিত্য সভাৰ কাৰ্যালয় শশীকান্ত হাজৰিকা ভৱনত সভাপতি মহেন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অসম সাহিত্য সভাৰ সভাপতিৰ বহু বিতৰ্কিত এই পাঁচজনীয়া পেনেলখন বাতিল কৰি পাণ্ডিত্যপূৰ্ণ সু-সাহিত্যিক আৰু অবিতৰ্কিত ব্যক্তিক লৈ নতুন পেনেল তৈয়াৰ কৰিবলৈ আৰু উচ্চস্তৰীয় সমিতিখনৰ কোনো সদস্যৰ নাম সভাপতিৰ নতুন পেনেলখনত অন্তৰ্ভুক্ত নকৰিবলৈ দাবী জনোৱা হয়। জিলা সাহিত্য সভাৰ আজিৰ এই কৰ্ণধাৰ সমিতিৰ সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি ডাঃ প্ৰদীপ কুমাৰ ডেকা, সম্পাদক ড০ অচ্যুত কুমাৰ দাস, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অজিত শৰ্মা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে হৰেন্দ্ৰ বৰা, মিহিৰ হাজৰিকা, পিনাকীভূষণ মহন্ত, জিলা সাহিত্য সভাৰ জ্যেষ্ঠ সদস্য মুণীন্দ্ৰ বাংঠাই, ললিতা দেৱী আদি উপস্থিত থাকে। নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতিক্ৰিয়া অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচনৰ তালিকাখন গোপনীয়ভাৱে ৰাখিব নোৱাৰা কাৰ্য সভাৰ কৰ্মকৰ্তাসকলৰ দুৰ্বলতা আৰু সভাৰ সংবিধান বিৰোধী কাৰ্য বুলি মন্তব্য কৰিছে অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকাই। তেওঁ কয় যে সকলোৱে সংবিধান মানি চলা উচিত। সভাৰ নষ্ট হোৱা গৰিমা ৰক্ষা কৰাৰ দৰকাৰ। সংশ্লিষ্ট সদস্যসকলে নিৰ্বাচন সমিতিৰ পৰা অব্যাহতি ল'ব লাগে বুলি তেওঁ কয়। প্ৰচাৰিত তালিকাখন বাতিল কৰি সভাৰ ঘনিষ্ঠ সাহিত্যিকক লৈ নতুন তালিকাখন প্ৰস্তুত কৰিবলৈ তেঁও দাবী জনায়।

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশক বুঢ়া আঙুলি একাংশ ৱাৰ্ড কমিচনাৰৰ

# তিনিচুকীয়া পৌৰসভাত ক্ষমতাকেন্দ্ৰিক অৰিয়া-অৰি

**ই-সংবাদ, ডুমডুমা, ৫ নৱেম্বৰঃ** তিনিচুকীয়াৰ পৌৰসভাত চলি থকা ক্ষমতাকেন্দ্ৰিক আঁৰিয়া-আঁৰিৰ বাবেই উন্নয়ন একপ্ৰকাৰ স্থবিৰ তথা স্তব্ধ হৈ পৰিছে। ১৫ টা ৱাৰ্ড বিশিষ্ট তিনিচুকীয়া পৌৰসভাৰ একাংশ ৱাৰ্ড কমিছনাৰে পৌৰপতি পৱিত্ৰ গগৈৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাৰ ফলত বহুদিন ধৰি পৌৰসভাখনৰ কাম-কাজ স্থবিৰ হৈ পৰিছে। ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি দলৰ দখলত থকা ৰাজ্যৰ ৭৭ খন পৌৰসভাৰ কোনো কোনো পৌৰসভাত সৃষ্টি হোৱা অচলাৱস্থাৰ পৰিপ্ৰেক্ষিতেতে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই চলিত বৰ্ষৰ জুলাই মাহৰ মাজ ভাগতে পৌৰসভাত কোনো ৱাৰ্ড কমিছনাৰৰ অসন্তুষ্টি থাকিলেও অনাস্থা প্ৰস্তাৱ আনিব নোৱাৰিব বুলি নিৰ্দেশ দিছিল। এইক্ষেত্ৰত কাৰোবাৰ কিবা অসন্তুষ্টি থাকিলে দলীয় মঞ্চত আলোচনা কৰিবলৈ নিৰ্দেশনা দিয়া খোদ মুখ্যমন্ত্ৰীৰ সেই নিৰ্দেশক তিনিচুকীয়া পৌৰসভাৰ কেইগৰাকীমান ৱাৰ্ড কমিছনাৰে একপ্ৰকাৰৰ বুঢ়া আঙুলি দেখুৱাই পৌৰপতি পৱিত্ৰ গগৈৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনে। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে অনাস্থা প্ৰস্তাৱ অনাসকলৰ বিৰুদ্ধে দলীয় অনুশাসন ভংগ কৰা বুলি তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি হুমকি দিছিল যদিও আজিপৰ্যন্ত কিন্তু এইসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। আনহাতে, অভিযোগ অনুসৰি, তিনিচুকীয়া পৌৰসভাৰ দুগৰাকী ৱাৰ্ড কমিছনাৰে পৌৰসভাৰ পৌৰপতিৰ আসনখনলৈ মন মেলি উক্ত অনাস্থাৰ নাটকখন ৰচনা কৰিছে। বৃহত্তৰ তিনিচুকীয়া পৌৰ এলেকা উন্নয়ন দাবী সমিতিয়ে তিনিচুকীয়া পৌৰসভাৰ ৰজা ভঙা-পতাৰ এই খেলখন অচিৰেই বন্ধ কৰি চহৰখনৰ উন্নয়নত মনোনিৱেশ কৰিবলৈ ৱাৰ্ড কমিছনাৰসকলক আহ্বান জনোৱাৰ লগতে এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে যদিও তিনিচুকীয়া পৌৰসভাৰ ৰজা ভঙা-পতা এই খেলখনৰ কেতিয়া যৱনিকা পৰিব লক্ষণীয় হ'ব।



ধলাই বিধান সভা সমষ্টিৰ উপ নিৰ্বাচনত প্ৰচাৰৰ মূৰ্হতত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

# ষট্ পূজাৰ বাবে বৰপেটা প্ৰশাসনৰ পূৰ্ণ প্ৰস্তুতিৰ পৰ্যালোচনা

**ই-সংবাদ, বৰপেটা, ৫ নৱেম্বৰঃ** আজি বৰপেটা জিলাৰ জিলা আয়ুক্তৰ সন্মিলন প্ৰেক্ষাগৃহত আগন্তুক ষট্ পূজা সুকলমে উদযাপন উপলক্ষে এখন সভা অনুষ্ঠিত হৈ যায়। সভাত অতিৰিক্ত জিলা আয়ুক্ত জয়ন্ত বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ), অতিৰিক্ত আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়), অ'চি, চক্ৰ বিষয়া আৰু ষট্ পূজা সমিতিসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে। পূজা উদযাপন স্থানসমূহৰ প্ৰৱেশ আৰু প্ৰস্থান স্থান নিয়ন্ত্ৰণ কৰিব পৰা স্বেচ্ছাসেৱকৰ নাম অতি সোনকালে জমা দিবলৈ পূজা আয়োজকসকলক আহ্বান জনায়। ইয়াৰ উপৰি স্থানসমূহত নিৰাপত্তা বৃদ্ধি কৰিবলৈ বেৰিকেড স্থাপন কৰাটো নিশ্চিত কৰিবলৈও তেওঁলোকক আহ্বান জনোৱা হয়। এই অনুষ্ঠানসমূহত সৰ্বাধিক সুৰক্ষা নিশ্চিত কৰিবলৈ আয়োজকসকলৰ সঠিক পোহৰৰ ব্যৱস্থা, ড্ৰেছিং ৰুম (বিশেষকৈ মহিলাৰ বাবে) আৰু চি চি টি ভি চোৱাচিতা কৰাটো নিশ্চিত কৰিবলৈ জিলা আৰক্ষীয়ে চক্ৰ বিষয়াসকলক আহ্বান জনায়। লগতে ৰেভেলাৰসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰা হ'ব বুলিও আশ্বাস দিয়ে। যিহেতু পূজাৰ সময়ত অতিৰিক্ত বাহিনী মোতায়েন কৰা হ'ব, সেয়েহে আয়োজকসকলক ঘাটৰ ওচৰত শিবিৰ স্থাপন কৰিবলৈ কোৱা হৈছে য'ত বাহিনীক ৰখা হ'ব। নিৰাপত্তা আৰু নিৰাপত্তাৰ প্ৰট'কল বজাই ৰাখি সকলোকে শান্তিপূৰ্ণ ষট্ পূজা উদযাপনৰ বাবে বৰপেটা জিলা প্ৰশাসনৰ পৰা আহ্বান জনোৱা হয়।

# তামুলপুৰত ষট্ পূজা সম্পৰ্কীয় বৈঠক

**ই-সংবাদ, তামুলপুৰ, ৫ নৱেম্বৰঃ** আজি তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সমাগত ৭ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ষট্ পূজা সম্পৰ্কীয় এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত আয়ুক্তগৰাকীয়ে বিশেষকৈ প্ৰদূষণমুক্ত ষট্ পূজা পালনত বিশেষ গুৰুত্ব আৰোপ কৰে। কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি যাতে সংঘটিত নহয়, তাৰ প্ৰতিও গুৰুত্ব দিবলৈ ষট্ পূজা সমিতিৰ বিষয়ববীয়াসকলক তেওঁ আহ্বান জনায়। লগতে নিশা দহ বজাৰ পাছত উচ্চ স্বৰত মাইক বজোৱাৰ ক্ষেত্ৰত বাধা থকাৰ কথাও তেওঁ উল্লেখ কৰে। তামুলপুৰৰ আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰীয়েও আৰক্ষীৰ ফালৰ পৰা সুৰক্ষামূলক সকলো সহযোগিতা আগবঢ়োৱা হ'ব বুলি কয়। তেওঁ সকলোৰে সহযোগিতাও কামনা কৰে। আজিৰ সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, অতিৰিক্ত আয়ুক্ত হেমাশ্ৰী খনিকৰ, প্ৰকল্প বিষয়া চন্দা সিং, তামুলপুৰৰ খণ্ড উন্নয়ন বিষয়া দেৱ কুমাৰ বসুমতাৰী, একাংশ বিষয়া আৰু তামুলপুৰ জিলাৰ বিভিন্ন ষট্ পূজা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত আছিল। উল্লেখ্য যে তামুলপুৰ জিলাৰ ১৭ টা ঘাটত এইবাৰ ষট্ পূজা অনুষ্ঠিত হ'ব।



মুখ্যমন্ত্ৰীৰ সৈতে চেলফি, ফটো ধলাইৰ




ৰাইজৰ দলত যোগদান বিজেপিৰ প্ৰাক্তন ৰাজ্যিক নিমন্ত্ৰিত কাৰ্য নিৰ্বাহক ডাঃ ৰিক্তম বৰগোহাঁইৰ

## নিৰ্মাণ কাৰ্য চলি থকা অৱস্থাত ভূমিস্খলন

# ঐতিহাসিক আলাবৈ ৰণ স্মৃতি নিৰ্মাণস্থলীত অঘটন, নিহত এজন

**ই-সংবাদ, গুৱালকুছি, ৫ নৱেম্বৰঃ** কামৰূপৰ পছৰীয়াৰ ঐতিহাসিক আলাবৈ ৰণ স্মৃতি নিৰ্মাণ স্থলীত নিৰ্মাণ কাৰ্য চলি থকা অৱস্থাতে ভূমিস্খলন হৈ এগৰাকী শ্ৰমিকৰ কৰুণ মৃত্যু হয়। এই ঘটনাত অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি, আজি দুপৰীয়া কামৰূপৰ ঐতিহাসিক পছৰীয়া আলাবৈ পাহাৰত চলি থকা আলাবৈ ৰণৰ স্মৃতি নিৰ্মাণ প্ৰকল্পত কাম কৰি থকা অৱস্থাত অকস্মাতে ওপৰৰ পৰা বাগৰি অহা পাহাৰৰ মাটিয়ে কৰ্মৰত শ্ৰমিকজনক হেঁচা মাৰি ধৰাত শ্ৰমিকজন থিতাতে নিহত হয়। উক্ত সময়ত উক্ত স্থানত মুঠ দুজন শ্ৰমিকে কাম কৰি আছিল যদিও ইয়াৰে আন এজন শ্ৰমিকৰ কথমপি প্ৰাণ ৰক্ষা পৰে। ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় ৰাইজৰ সহযোগত নিৰ্মাণ প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীয়ে তৎপৰতাৰে শিঙিমাৰী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে যদিও শ্ৰমিকজনৰ মৃত্যু ঘটে। মৃত্যু হোৱা শ্ৰমিক গৰাকী কামৰূপৰ হাজো চেঁচাৰ দিপুল দাস বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এক্সকেভেটৰৰ সহায়ত আলবৈ পাহাৰৰ মাটি কাটি থকা সময়তে ভূমিস্খলন হৈ শ্ৰমিকগৰাকীক মাটিয়ে পুতি পেলায়। আলবৈ ৰণ স্মৃতি সৌধ নিৰ্মাণ কামৰ দায়িত্ব লাভ কৰা ৰেংক প্ৰজেক্ট এণ্ড ডেভেলপমেন্ট প্ৰাঃ লিঃ নামৰ নিৰ্মাণ প্ৰতিষ্ঠানটোৰ গাফিলতি আৰু অসাৱধানতাৰ বাবেই এগৰাকী দুখীয়া শ্ৰমিকে মৃত্যুক সাৱটি ল'ব লগা হয় বুলি সচেতন মহলে অভিযোগ কৰে। আলাবৈ ৰণ স্মৃতিৰ সৌধ নিৰ্মাণ প্ৰতিষ্ঠাটোৰ শ্ৰমিকৰ বাবে কোনো ধৰণৰ সুৰক্ষা ব্যৱস্থা তথা দায়িত্ব নাই বুলি অভিযোগ কৰে মৃত শ্ৰমিকৰ আত্মীয়ই। একমাত্ৰ উপাৰ্জনকাৰী দুখীয়া শ্ৰমিক দিপুল দাসৰ অকাল মৃত্যুত শোকত ভাগি পৰিছে আত্মীয়। ভূমিস্খলন হৈ মৃত্যু হোৱা শ্ৰমিকগৰাকীৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিবলৈ নিৰ্মাণ প্ৰতিষ্ঠানটোৰ ওচৰত দাবী জনোৱাৰ লগতে নিৰ্মাণ প্ৰকল্পস্থলীত শ্ৰমিকৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ নিৰ্মাণ প্ৰতিষ্ঠানটোক দাবী জনাইছে স্থানীয় বিভিন্ন দল-সংগঠনে।

# ভোগেশ্বৰ হাজৰিকা উঃ মাঃ বিদ্যালয়ত নৱাগত আদৰণি

**ই-সংবাদ, বেবেজীয়া, ৫ নৱেম্বৰঃ** নগাঁও জিলাৰ স্ত্ৰী শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে নৱাগত আদৰণী আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বিদ্যালয় প্ৰাংগণত গুৰু-শিষ্যৰ লগতে অভ্যাগতৰ উপস্থিতিৰে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। প্ৰথম দিনা পুৱা বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে উলিওৱা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে স্থানীয় বিধায়ক ৰূপক শৰ্মাই। শোভাযাত্ৰাটি উদ্বোধন কৰি বিধায়কগৰাকীয়ে মহাপুৰুষজনাৰ আদৰ্শৰে অসমীয়া জাতিয়ে ঐক্যতা বৰ্তাই আগবাঢ়ি যাব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। জাতি-জনগোষ্ঠীৰ বিভিন্ন কৃষ্টি-সংস্কৃতিৰ লগতে অসমীয়া সমাজ ব্যৱস্থাক প্ৰতিফলন ঘটা এই নান্দনিক শোভাযাত্ৰাই বৃহত্তৰ বেবেজীয়া অঞ্চল উজলাই তোলে। দুপৰীয়া বিদ্যালয়ৰ প্ৰদৰ্শনীৰ দ্বাৰ ৰহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বেদ কুমাৰ চলিহাই উদঘাটন কৰাৰ লগতে প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকাই। ইয়াৰ পিছতে বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰাই আদৰণী ভাষণ প্ৰদান কৰা মুকলি সভাখনিত ৰহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বেদ কুমাৰ চলিহা, অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, প্ৰবীণ অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিদ্যালয়ৰ উপাধ্যক্ষ ৰঞ্জন হাজৰিকাই আঁত ধৰা সভাখনিত বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা কৃষ্ণাক্ষী দেৱীক মঞ্জু ভূঞা সোঁৱৰণী শৈক্ষিক বঁটা আৰু উচ্চতৰ মাধ্যমিকত সৰ্বোচ্চ নম্বৰ পোৱা নিজুমণি দেৱীক সুৰেন্দ্ৰ নাথ ফুকন সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।

# অসম চিকিৎসা মহাবিদ্যালয়ত গেট বন্ধক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি

**ই-সংবাদ, ডিব্ৰুগড়, ৫ নৱেম্বৰঃ** অসম চিকিৎসা মহাবিদ্যালয়ত গেট বন্ধক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসা মহাবিদ্যালয়ৰ এলেকাত থকা জালান চাহ বাগিচাৰ আলুবাৰী লাইনৰ গেট বন্ধৰ বিৰুদ্ধে স্থানীয় ৰাইজে উত্তাল প্ৰতিবাদ কৰে। আজি পুৱাই আলুবাৰী লাইনৰ প্ৰৱেশদ্বাৰৰ সন্মুখত অৱস্থান কৰি এ এম চি কৰ্তৃপক্ষৰ হঠকাৰী সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সৃষ্টি হয় প্ৰচণ্ড টনা-আজোৰা ফলত বহুকেইগৰাকী প্ৰতিবাদকাৰীৰ লগতে কেইবাগৰাকীও আৰক্ষী আঘাতপ্ৰাপ্ত হয়। অৱশেষত কেইবাগৰাকী প্ৰতিবাদকাৰীক আটক কৰে আৰক্ষীয়ে। ইয়াৰ পাছতে প্ৰৱেশদ্বাৰৰ অংশ জেচিপিৰে খান্দি যাতায়াত বন্ধ কৰি দিয়ে আৰক্ষী প্ৰশাসনে।ভুক্তভোগীসকলে অভিযোগ কৰি কয় যে এই বিষয়ত অসম চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰা আগতীয়াকৈ কোনো ধৰণৰ জাননী জাৰি কৰা নাছিল। ইয়াৰ উপৰি বহু আন্দোলন কৰাৰ পিছত জালান নগৰ চাহ বাগিচা আলুবাৰী লাইনৰ পৰা অসম চিকিৎসা মহাবিদ্যালয় সংযোগী মূল গেটখন ৰাইজৰ সুবিধাৰ্থে খোলা হৈছিল। এই গেটখন মুকলি কৰোঁতে স্থানীয় ৰাইজে সেই সময়ত বহু ত্যাগ কৰিছিল আৰু ইয়াৰ লগত আশা আকাংক্ষা জড়িত হৈ আছিল বুলি ৰাইজৰ অভিযোগ। আজিৰ এই গেটখন দমনমূলকভাৱে বন্ধ কৰিবলৈ লোৱাত স্থানীয় ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আৰু এই কাৰ্যক গৰিহণা দিয়ে। এই ঘটনাৰ উচিত তদন্তৰ বাবে স্থানীয় ৰাইজে এখন সভা অনুষ্ঠিত কৰি কেইটিমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি এই পথৰ গেট নোখোলালৈকে অনিৰ্দিষ্ট কাললৈ ৰাইজে চাহ বাগিচা বন্ধৰ লগতে জিলা আয়ুক্ত কাৰ্যলয়ত প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰিব।



চামগুৰিত বুথে বুথে নিৰ্বাচনী প্ৰচাৰ চলাইছে মন্ত্ৰী বিমল বৰাই, ফটো মঙলবাৰৰ

# অসম কৃষি বিশ্ববিদ্যালয়ৰ এছিউৰ বায়'ভেল্ডন প্ৰাইভেট লিমিটেডৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ সম্পন্ন

**ই-সংবাদ, যোৰহাট, ৫ নৱেম্বৰঃ** অসম কৃষি বিশ্ববিদ্যালয়ে ইয়াৰ সমৰ্থনত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা ষ্টাৰ্ট-আপ এছিউৰ বায়ভেল্ডন প্ৰাইভেট লিমিটেডৰ সৈতে আজি এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। উত্তৰ পূব অঞ্চল আৰু ইয়াৰ বাহিৰৰ ছাত্ৰ, গৱেষক আৰু উদ্যোগপতিসকলক তেওঁলোকৰ কাৰ্যত সফলতা লাভ কৰিবলৈ উৎসাহ প্ৰদান কৰাৰ ক্ষেত্ৰত এই প্ৰকাৰৰ কোম্পানী এয়েই প্ৰথম। কোম্পানীটোৱে অসম কৃষি বিশ্ববিদ্যালয় আৰু অন্যান্য সহযোগী সংস্থাসকলে উৎপাদন কৰা বায়'ইনপুট (বায়'-সাৰ আৰু বায়'-কীটনাশক), টিছু কালচাৰ পদ্ধতিৰে উৎপাদিত গছৰ পুলি, কাঠফুলাৰ প্ৰজনন-উৎপাদন আদি প্ৰযুক্তি উন্নীত কৰি অঞ্চলটোৰ সামগ্ৰিক কৃষি উন্নয়নক প্ৰসাৰিত কৰাৰ পদক্ষেপ হাতত লৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অসম ধান গৱেষণা প্ৰতিষ্ঠানৰ তিতাবাৰৰ জ্যেষ্ঠ বিজ্ঞানী ডও পপী বৰা আৰু পুণেৰ ৰাষ্ট্ৰীয় ৰাসায়নিক প্ৰয়োগাগাৰৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ডও এম ভি দেশপাণ্ডে, জৈৱিক কৃষি খণ্ডত এই কোম্পানীৰ সহযোগী হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি জৈৱ-প্ৰযুক্তি বিভাগৰ সহঃ অধ্যাপক, ডও সুমিতা আচাৰ্যীয়ে ইয়াৰ শৈক্ষিক উদ্যোগত সহযোগিতা কৰিব। এই চুক্তি স্বাক্ষৰ অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন কুমাৰ গোহাঁই আৰু 'এছিয়ৰ বায়ভেল্ডন প্ৰায়ভেট লিমিটেড'-ৰ প্ৰতিষ্ঠাতা সঞ্চালক অধ্যাপক বি কে শৰ্মাই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, কৃষিবিজ্ঞান গুৰু আৰু সঞ্চালকসকলৰ উপস্থিতিত স্বাক্ষৰ কৰে। উপাচাৰ্য ডও বিদ্যুৎ চন্দন ডেকাই স্বাক্ষৰকাৰীক অভিনন্দন জনাই এই উন্নয়নৰ বাবে আনন্দ প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ শৈক্ষিক ক্ষেত্ৰত উৎকৃষ্টতা লাভ কৰিবলৈ আৰু অঞ্চলৰ কৃষক-উদ্যোগপতিসকলক উদ্ভাৱনী কৃষি ভিত্তিক প্ৰযুক্তিসমূহ উন্নীত কৰি জৈৱিক কৃষি প্ৰসাৰৰ বাবে পথ প্ৰদৰ্শন কৰাৰ কোম্পানীৰ এই পদক্ষেপৰ বাবে তেওঁ শলাগ লয়। এই অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান গুৰু ডও প্ৰসন্ন কুমাৰ পাঠক, সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডও মনোৰঞ্জন নেওগ, ছাত্ৰ কল্যাণ সঞ্চালক ডও বিনয় কুমাৰ মেধি, সহযোগী কৃষি গৱেষণা সঞ্চালক ডও মৃণাল শইকীয়া, সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডও ৰঞ্জিত কুমাৰ সাউদ, যুটীয়া পঞ্জীয়ক ডও ৰমেণ কুমাৰ শৰ্মাৰ লগতে কেইবাজনো গৱেষক বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে।

# শদিয়াত সুধাকণ্ঠৰ স্মৃতি দিৱস পালন

**ই-সংবাদ, ডুমডুমা, ৫ নৱেম্বৰঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত, শদিয়া শতদল শাখা সাহিত্য সভাৰ আতিথ্যত আৰু শদিয়াবাসীৰ সহযোগত জন্মস্থান শদিয়াত অসম সাহিত্য সভাই কেন্দ্ৰীয় ভিত্তিত দিনজোৰাকৈ সুধাকণ্ঠ ডও ভূপেন হাজৰিকাৰ 'স্মৃতি দিৱস' পালন কৰে। শদিয়াৰ সদৰ চপাখোৱাস্থিত মুকলি মঞ্চত আয়োজিত সংগীতসূৰ্য, সুধাকণ্ঠ ডও ভূপেন হাজৰিকাৰ স্মৃতি দিৱসৰ লগত সংগতি ৰাখি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সভাপতি ডও সূৰ্যকান্ত হাজৰিকাই। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈয়ে। ইয়াৰ পিছতে চপাখোৱাৰ ৰুক্মিণী উদ্যানত থকা সুধাকণ্ঠ ডও ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি মোহন মৰাণ আৰু শদিয়া শতদল শাখা সাহিত্য সভাৰ সভাপতি দিপালী চেতিয়া বৰগোহাঞিয়ে। দুপৰীয়া অনুষ্ঠিত হোৱা কেন্দ্ৰীয় স্মৃতি দিৱসৰ মুকলি সভাত সভাপতিত্ব কৰে সভাপতি ডও সূৰ্যকান্ত হাজৰিকাই। সভাৰ উদ্বোধন কৰে ডাঃ গিৰীশ সন্দিকৈয়ে। আদৰণি ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি বিশ্ব গগৈয়ে। সভাত মুখ্য, বিশিষ্ট, সন্মানীয় তথা আমন্ত্ৰিত অতিথি ৰূপে অসমৰ কেইবাগৰাকীও শিল্পী-সাহিত্যিক তথা বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। এই সভাতে সুধাকণ্ঠৰ স্মৃতি দিৱস উপলক্ষে স্থানীয় লেখিকা গীতাঞ্জলি কলিতা গগৈৰ সম্পাদনাত প্ৰকাশিত 'কণ্ঠহাৰ' নামৰ স্মাৰক গ্ৰন্থৰ লগতে স্থানীয় লেখক-লেখিকাৰ দ্বাৰা ৰচিত অন্য তিনিখন গ্ৰন্থ উন্মোচন কো হয়। স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ কুমাৰ দেউৰীৰ 'দেউৰী জন-সংস্কৃতিঃ ঐতিহ্য আৰু বৈভৱ', অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শিবানী গগৈ কোঁৱৰৰ 'অকণিৰ সাধু' আৰু শিক্ষয়িত্ৰী মীনী সৰকাৰৰ 'মেঘৰঞ্জনী' নামৰ চুটিগল্পৰ সংকলন উন্মোচন কৰা হয়। জন্মস্থান শদিয়াত আয়োজিত সুধাকণ্ঠৰ কেন্দ্ৰীয় স্মৃতি দিৱসত অংশলৈ অসম সাহিত্য সভাৰ বৰ্তমানৰ উপ-সভাপতি গিৰীশ সন্দিকৈক সাহিত্য সভাৰ আগন্তুক ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে সভাপতি পাতিবলৈ একপ্ৰকাৰৰ উদ্যোগ লোৱা সভাৰ প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ শৰ্মাই ৰাজ্যজুৰি অব্যাহত থকা সভাপতি নামৰ পাঁচজনীয়া পেনেলকেন্দ্ৰিক বিতৰ্ক সন্দৰ্ভত কয় যে সংবাদ মাধ্যমত যিখন তালিকা প্ৰকাশ পাইছে, সেয়া সঁচা নহয়।

## অধ্যক্ষৰ সমৰ্থনত বিদ্যালয় পৰিচালনা সমিতিৰ সংবাদমেল

# বিদ্যালয়ত বোৰ্খা পিন্ধি কৰা নৃত্যক লৈ নীলবাগানত বিতৰ্ক

**ই-সংবাদ, মোৰাঝাৰ, ৫ নৱেম্বৰঃ** হোজাই জিলাৰ নীলবাগান ম'ডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেইজনমান ছাত্ৰীয়ে বোৰ্খা পিন্ধি নৃত্য কৰি ইছলামীয় ধৰ্মীয় মহিলাৰ পোছাকক লৈ তাচ্ছিল্য কৰাৰ অভিযোগ তুলি আমছুৰ হোজাই জিলা সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পাছত আজি নীলবাগান ম'ডেল উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিয়ে এক সংবাদমেল আয়োজন কৰে। সংবাদমেলত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আলা উদ্দিন আহমেদে কয় যে যোৱা ২৯ অক্টোবৰত নীলবাগান ম'ডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বছৰেকীয়া সাংস্কৃতিক সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলে গীত-মাতৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ পোছাক পৰিধান কৰি বিভিন্ন সাংস্কৃতিক ক্ৰিয়া-কলাপ প্ৰদৰ্শন কৰাৰ লগতে ড্ৰাগছ, বাল্য বিবাহ আদিৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন নাটক আদিও মঞ্চস্থ কৰিছিল। তাৰে এটি ক্ৰিয়া-কলাপত বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিছিল। বাল্য বিবাহৰ সজাগতা কাৰ্যসূচীত কোনো ছাত্ৰীয়ে অংশ লোৱা নাছিল, এই কাৰ্যসূচীত চাৰিজনছাত্ৰই অংশ লৈছিল বুলি জানিবলৈ দিয়ে। সাংস্কৃতিক ক্ৰিয়া-কলপাত কলা-কুশলীসকলে বিভিন্ন সাজ-পাৰ পৰিধান কৰিবলগীয়া হয় আৰু সেইদৰে নীলবাগান ম'ডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাৰিগৰাকী ছাত্ৰই বোৰ্খা বা নান পোছাক পৰিধান কৰিছিল। অনুষ্ঠানত কোনো ছাত্ৰীয়ে বোৰ্খা পৰিধান কৰা নাছিল। ইয়াৰ উপৰি উক্ত দিনাৰ সকলো কাৰ্যসূচীত কোনো শিক্ষক বা কোনো ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কোনো ধৰণৰ অশালীন বা অমাৰ্জিত কাৰ্য কৰা হোৱা নাছিল বা উক্ত কাৰ্যসূচীত অধ্যক্ষ বা কোনো শিক্ষকে বোৰ্খা পৰিধান কৰা ছাত্ৰৰ লগত কোনো নৃত্য কৰা নাছিল বুলি জানিবলৈ দিয়ে। কোনোবা দুষ্ট চক্ৰই মূল ভিডিঅ' এডিট কৰি বিকৃত ৰূপ দি বিদ্যালয়খনৰ সুনাম বিনষ্ট কৰাৰ অপচেষ্টা চলোৱাৰ অভিযোগ তোলে পৰিচালনা সমিতিৰ সভাপতিজনে। হোজাই জিলা আয়ুক্তক এই সন্দৰ্ভত অৱগত কৰা হ'ব বুলি পৰিচালনা সমিতিৰ সভাপতিয়ে জানিবলৈ দিয়ে। ইপিনে, আজি আমছুৰ হোজাই জিলা সমিতিয়ে জিলা আয়ুক্ত আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শকক পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰে।

## সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ ঊৰ্ধত অসমীয়া ভাষাঃ ময়ূৰ বৰা

# ৰঙিয়াত ভাষা গৌৰৱ সপ্তাহ উদযাপন

ই-সংবাদ, ৰঙিয়া, ৫ নৱেম্বৰঃ প্ৰজ্ঞাৰ আলোকে আলোকিত কৰা অসমীয়া জাতিৰ ভাষা অসমীয়া। ভাষা গৌৰৱ সপ্তাহ পালনৰে আত্ম সমালোচনা কৰা দৰকাৰ।- এই মন্তব্য বিশিষ্ট নিবন্ধকাৰ তথা চিন্তাবিদ ময়ূৰ বৰাৰ। আজি ৰঙিয়া সমজিলা প্ৰশাসনৰ উদ্যোগত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে আয়োজন কৰা সভাত সমল ব্যাক্তিৰূপে উপস্থিত থাকি বিশিষ্ট চিন্তাবিদ বৰাই লগতে কয় যে সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ ঊৰ্ধত অসমীয়া ভাষা। আমি এতিয়া শিক্ষা ল'ব লাগিব আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰা। সমাজৰ তুলাচনীত মানুহক জুখিবলৈ গ'লে প্ৰতিজন অসমীয়াই আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিয়ালটিক অনুধাৱন কৰিব লাগিব। ৰঙিয়াৰ হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত দিনৰ ২ বজাৰ পৰা আয়োজিত "ভাষা গৌৰৱ সপ্তাহ"ৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নিবন্ধকাৰগৰাকীয়ে ধ্ৰুপদী ভাষাৰ গৌৰৱময় ক্ষণত সকলো অভিভাৱক-অভিভাৱিকা, শিক্ষাৰ্থীক সচেতন হৈ থাকিবলৈও আহ্বান জনায়। কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে স্থানীয় বিধায়ক ভৱেশ কলিতাই উপস্থিত থাকি অসমীয়া ভাষা ধ্ৰুপদী ভাষালৈ ৰূপান্তৰিত হোৱাটোৱেই আমাৰ গৌৰৱ বুলি মন্তব্য কৰে। কৃতজ্ঞ জাতি হিচাপে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনোৱাৰ লগতে কৃতজ্ঞ অসমীয়া হিচাপে ৰঙিয়াবাসীৰ হৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীৰ প্ৰতিও তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে, গ্ৰন্থৰ মৃত্যু নাই, সৃষ্টিৰ কোনো বিক্ৰী নাই, ব্যক্তিৰহে মৃত্যু আছে বুলি উল্লেখ কৰি প্ৰতিখন সমজিলাতে অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে ভাষা গৌৰৱ সপ্তাহ পালন কৰা মূল উদ্দেশ্য বুলিও বিধায়কগৰাকীয়ে মন্তব্য কৰে। কাৰ্যসূচীত শিক্ষাবিদ পবীন কলিতা, জ্যেষ্ঠ নাগৰিক নৰেন্দ্ৰ শৰ্মা, পৌৰপতি অমৰেন্দ্ৰ লহকৰ, মাতৃভাষা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতা প্ৰমুখ্যে আন ভালেমান গণ্য মান্য ব্যক্তি উপস্থিত থাকে। বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকা উপস্থিত থকা সভাৰ সামৰণিত সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# পুৰণিগুদাম কাষৰিগাঁৱত পথ দুৰ্ঘটনা, ত্ৰাণকৰ্তাৰ ৰূপত মন্ত্ৰী বিমল বৰা

**ই-সংবাদ, পুৰণিগুদাম, ৫ নৱেম্বৰঃ** নগাঁও জিলাৰ পুৰণিগুদাম কাষৰিগাঁৱত চাৰিলেনযুক্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি প্ৰায় ১ মান বজাত দুখন বাইকৰ মাজত সংঘটিত হোৱা মুখামুখি সংঘৰ্ষত দুজন বাইক আৰোহী গুৰুতৰভাৱে আহত হয়। উক্ত পথ দুৰ্ঘটনাত আহত হোৱা ব্যক্তি দুগৰাকীৰ ত্ৰাণকৰ্তাৰ ৰূপত মন্ত্ৰী বিমল বৰা উপস্থিত হৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ দিহা কৰে। জানিব পৰা মতে, মন্ত্ৰীগৰাকীয়ে নগাঁৱৰ পৰা চামগুৰিলৈ আহি থকাৰ অৱস্থাত উক্ত মটৰচাইকেল দুৰ্ঘটনা প্ৰত্যক্ষ কৰে। মন্ত্ৰী বিমল বৰাই মহানুভৱতাৰ পৰিচয় দাঙি ধৰি আৰ্তজনক সহায়ৰ কৰাৰ উদ্দেশ্যে দেহৰক্ষীলৈ বাট নাচাই তৎক্ষণাত নিজৰ গাড়ীৰ পৰা নামি আহি দুৰ্ঘটনাস্থলীৰ পৰা আহত দুয়োগৰাকী বাইক আৰোহীক উদ্ধাৰ কৰে আৰু নিজৰ এছকৰ্ড বাহনেৰে ততাতৈয়াকৈ পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

## দৰ্শক মন্ত্ৰী পীয়ুষ হাজৰিকা, উদাত্ত সংলাপ বিধায়ক পদ্ম হাজৰিকাৰ মুখত

# সুৰ বাহিনী লৈ বিহালীত বিজেপিৰ ব্যতিক্ৰমী নিৰ্বাচনী প্ৰচাৰ

ই-সংবাদ, বিশ্বনাথ, ৫ নৱেম্বৰঃ সুৰ বাহিনীৰ দ্বাৰা গীতে-মাতে বিহালীৰ বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘৰিটা, মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ ৰঞ্জিত দত্ত আৰু বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত নিৰ্বাচনী প্ৰচাৰ চলোৱা হয়। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত আজিৰে পৰা বিজেপিয়ে বিহালীত অনুষ্ঠিত কৰিছে এই ব্যতিক্ৰমী নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী। বিজেপি চৰকাৰে কৰা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহকো সামৰি লোৱা হৈছে এই গীত-মাতে অনুষ্ঠানত। গীতে-মাতে অনুষ্ঠানৰ জৰিয়তে কংগ্ৰেছ চৰকাৰৰ দিনত সংঘটিত হোৱা বিভিন্ন হত্যা, হিংসা সকলো সামৰি লোৱাৰ লগতে এই অনুষ্ঠানৰজৰিয়তেই কংগ্ৰেছ দল তথা গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰে। বিহালীৰ গাঁৱে গাঁৱে সুৰ বাহিনীৰ দ্বাৰা আজিৰে পৰা নিৰ্বাচনী প্ৰচাৰ চলাই যাব বিজেপিয়ে।

# সোৱণশিৰি মহাবিদ্যালয়ত ড্ৰাগছ বিৰোধী সভা

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ৫ নৱেম্বৰঃ** ভাৰত চৰকাৰৰ অধীনস্থ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰ আৰু সোৱণশিৰি মহাবিদ্যালয় এন এছ এছ গোটৰ যৌথ উদ্যোগত সোৱণশিৰি মহাবিদ্যালয়ৰ প্ৰাংগণত আজি দিনজোৱা কাৰ্যসূচীৰে এখনি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ বিতু গগৈয়ে আঁত ধৰা উক্ত কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে সোৱণশিৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ব্ৰজেন বৰুৱাদেৱে। অনুষ্ঠানত মুখ্য সমল ব্যক্তি হিচাপে ধেমাজি নিৱাসী তথা অসম ৰাজ্যিক এইচ আই ভি এইডছ নিয়ন্ত্ৰণ সংস্থাৰ জিলা প্ৰগ্ৰেম অফিচাৰ মনোজ বুঢ়াগোহাঁই উপস্থিত থাকি ড্ৰাগছৰ বিষয়ে সজাগতামূলক দীঘলীয়া বক্তব্য ৰাখে। ইয়াৰ উপৰি উক্ত সজাগতা সভাত অংশগ্ৰহণ কৰি সোৱণশিৰি মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা জয়ামণি গগৈ আৰু সোৱণশিৰি মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ প্ৰগ্ৰেম অফিচাৰ ড০ বিজয় কুমাৰ চাংমায়ে ড্ৰাগছৰ দ্বাৰা সমাজত তথা যুৱ প্ৰজন্মৰ ওপৰত কেনেধৰণৰ কু-প্ৰভাৱ পৰিছে তাৰ ওপৰত বক্তব্য ৰাখে। লগতে বৰ্তমান সময়ত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা কিমান বেছি প্ৰয়োজন হৈ পৰিছে তাৰ বিষয়ে বক্তব্য দাঙি ধৰে। আনহাতে, সভাত উপস্থিত থাকি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপম জ্যোতি চেতিয়াই সকলোকে ড্ৰাগছৰ বিৰুদ্ধে সচেতন হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে আমি এতিয়াই যদি ড্ৰাগছ নিৰ্মূল কৰাৰ বাবে যত্ন নকৰো, তেন্তে আগন্তুক দিনত আমি এনেকুৱা এটা দিন পাৰ কৰিব লাগিব, য'ত নিজৰ ঘৰৰ ভাই-ককাইক সন্মুখতে ধ্বংস হোৱা দেখিবলৈ পাম। ইয়াৰ উপৰি আজিৰ কাৰ্যসূচীত উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ নৱজ্যোতি বৰা, জিন্টু গগৈৰ লগতে সোৱণশিৰি মহাবিদ্যালয়ৰ অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ৫ নৱেম্বৰঃ** মৰিগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কটহগুৰী গাঁৱৰ সঞ্জীৱ পাতৰ নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'ছ আদালতে আজি যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনে দুবছৰ পূৰ্বে এগৰাকী নাবালিকাক ধৰ্ষণ কৰিছিল। এই ঘটনা সন্দৰ্ভত মৰিগাঁও থানাত ১১/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পক'ছ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'ছ আদালতে পক'ছ গোচৰ নং- ১০১/২০২২ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'ছ আদালতৰ বিশেষ ন্যায়াধীশে পক'ছ আইনৰ ৬ নং ধাৰা আৰু ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাত দোষী সাব্যস্ত কৰি অপৰাধী সঞ্জীৱ পাতৰক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি বিশ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰিছে।

# দুষ্ট চক্ৰৰ বিধি-পথালিক লৈ সতৰ্কতা অৱলম্বন, শিৱসাগৰ গৌৰৱ নগৰত সঠিকভাৱে পথ পকীকৰণৰ দাবী

**ই-সংবাদ, শিৱসাগৰ, ৫ নৱেম্বৰঃ** শিৱসাগৰ চহৰৰ সমীপৰ গৌৰৱ নগৰত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণকাৰ্য চলাই থকা মূল পথটোৰ নিৰ্মাণ কাৰ্যত যাতে বিসংগতি নাথাকে তাৰ বাবে দাবী জনাইছে স্থানীয় সচেতন নাগৰিকে। প্ৰায় ১৬০০ মিটাৰ দৈৰ্ঘৰ পথটো প্ৰেভাৰ ব্লক দি নিৰ্মাণ কৰিবলৈ ৯০ লক্ষাধিক টকাৰ আবন্টন দিছে। এই ধনৰাশিৰ যাতে সদ ব্যৱহাৰ হয় তাৰ বাবে সংশ্লিষ্ট ঠিকাদাৰ আৰু অভিযন্তাক দাবী জনাইছে ৰাইজে। বৰ্তমালৈকে যিখিনি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে সেইখিনি সঠিকভাৱে নিৰ্মাণ কৰা বুলি আজি সদৰি কৰিছে একাংশ ৰাইজে। আজি পুৱা নিৰ্মাণকাৰ্য চলি থকাৰ সময়তে স্থানীয় বহু কেইগৰাকী জেষ্ঠ্য নাগৰিক নিৰ্মাণ স্থলীলৈ আহি কাম-কাজ নীৰিক্ষণ কৰে। বৰ্তমানলৈকে নিৰ্মাণকাৰ্য ঠিকেই হৈ আছে যদিও এচাম দুষ্ট চক্ৰই নিৰ্মাণ কাৰ্যত বাধা দিবলৈ উঠি-পৰি লগা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ৰাইজে বহুবাৰ আবেদন কৰাৰ পিছতহে পথটো পকীকৰণৰ বাবে চৰকাৰী আঁচনিৰ অধীনত পুঁজি ধাৰ্য কৰিছিল বুলি উল্লেখ কৰি পথটোৰ নিৰ্মাণ কাৰ্যত কোনো অপশক্তিয়ে যাতে বাধা দিব নোৱাৰে স্থানীয় সচেতন লোকসকল সজাগ হৈ থাকিব বুলিও দোহাৰে। জানিব পৰা মতে ব্লকেৰে নিৰ্মাণ কাৰ্য চলি থকা পথটোৰ নিবিদা লাভ কৰিছিল বিপিন বৰুৱা নামৰ এজন ঠিকাদাৰে। পথটো নিৰ্মাণত যাতে কোনো বিসংগতি নাথাকে, অনিয়ম নহয় তাৰ বাবেও সকিয়নী দিয়ে জ্যেষ্ঠ নাগৰিকসকলে।

# মহিলা নহয়, স্বৰ্ণজয়ী খেলিফ এজন পুৰুষ!



**পেৰিছ, ৫ নৱেম্বৰঃ** পুনৰ চৰ্চালৈ আহিছে পেৰিছ অলিম্পিকত মহিলাৰ ৬৬ শাখাৰ বক্সিঙত সোণৰ পদক লাভ কৰা ইমানে খেলিফৰ নাম। অলিম্পিক চলি থকা সময়তে খেলুৱৈগৰাকী মহিলা নহয় বুলি বাতৰি প্ৰকাশ পাইছিল যদিও মেডিকেল ৰিপ'ৰ্ট প্ৰকাশ পোৱা নাছিল। কিন্তু শেহতীয়াকৈ খেলুৱৈগৰাকীৰ মেডিকেল ৰিপ'ৰ্ট পোহৰলৈ অহাৰ পিছতে বিশ্বজুৰি সৃষ্টি হৈছে চাঞ্চল্যৰ। এই ৰিপ'ৰ্টৰ ভিত্তিতেই খেলুৱৈগৰাকী মহিলা নহয়, এজন পুৰুষ বুলিহে প্ৰমাণিত হৈছে। উল্লেখ্য যে, আলজেৰিয়াৰ বক্সাৰ ইমানে খেলিফে পেৰিছ অলিম্পিকত এগৰাকী মহিলা বক্সাৰ হিচাপে ভাগ লৈ সোণৰ পদক লাভ কৰিছিল। সোণৰ পদক জয়ী বক্সাৰগৰাকীয়ে লাভ কৰিছিল অনেক খ্যাতি। লক্ষণীয়ভাৱে বহুতে পুৰুষ বুলি কৰা দাবীক লৈ খেলিফৰ প্ৰতিযোগিতাখনৰ বাবে যোগ্যতাক লৈও প্ৰশ্ন উত্থাপন হৈছিল। কিন্তু বিতৰ্কৰ মাজতে খেলিফে মহিলাৰ ৬৬ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰে। পেৰিছ অলিম্পিক অন্ত পৰা লগে লগে যেন বিতৰ্কও অন্ত পৰিছিল। পিছে শেহতীয়াকৈ এগৰাকী ফৰাচী সংবাদিকে খেলিফৰ মেডিকেল ৰিপ'ৰ্ট পোহৰলৈ অনাত বিশ্বজুৰি হৈ-চৈ লাগিছে। ভাৰতীয় ক্ৰিকেটাৰ হৰভজন সিঙেও ছচিয়েল মিডিয়াযোগে প্ৰশ্ন কৰিছে- খেলিফে এতিয়া পদক ঘূৰাই দিবনে? জানিব পৰা মতে, প্ৰকৃততে ইমানে খেলিফ জন্মৰ পূৰ্বেই যৌন বিকাশৰ বিসংগতিৰ চিকাৰ হৈছিল। সেয়ে ইমানে খেলিফৰ যৌন বিকাশ একেবাৰে স্বাভাৱিক নাছিল। ইমানে খেলিফৰ দেহত অণ্ডকোষ আছে। কিন্তু সাধাৰণ পুৰুষৰ দৰে দেহৰ বাহিৰত নহয়, দেহৰ ভিতৰতহে এক্স ৱাই ক্ৰমজম বিশিষ্ট অণ্ডকোষ আছে। ইমানে খেলিফৰ বাহ্যিক যৌন অংগও কিছু বিসংগতিপূৰ্ণ। ইমানে খেলিফৰ দেহত জৰায়ু নাই, বিপৰীতে আছে ক্ষুদ্ৰ লিংগ। এনে পৰিপ্ৰেক্ষিতত খেলুৱৈগৰাকীৰ লিংগ নিৰ্ণয় কৰাতো চিকিৎসকসকলৰ পক্ষেও সম্ভৱ নাছিল। এতিয়াও অৱশ্যে খেলিফ যে এগৰাকী সম্পূৰ্ণ পুৰুষ সেয়া ক'ব পৰা হোৱা নাই। বিষয়টোক লৈ এতিয়া অলম্পিক কমিটিয়ে কি সিদ্ধান্ত গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।



চেম্পিয়নছ লীগৰ এখন মেচত হেটট্ৰিকৰ পিছত লিভাৰপুলৰ লুইচ ডিয়েগৰ প্ৰতিক্ৰিয়া, এনফিল্ডত মঙলবাৰে

## নিউজিলেণ্ডৰ বিৰুদ্ধে শোচনীয় পৰাজয়ৰ পিছতে চলিছে চৰ্চা

# অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দলত স্থান পাব পাৰে পূজাৰা, ৰাহানেই

**মুম্বাই, ৫ নৱেম্বৰঃ** গৃহভূমিত নিউজিলেণ্ডৰ বিৰুদ্ধে তিনিখনকৈ টেষ্ট শৃংখলাত বিধ্বস্ত হোৱাৰ পিছত এতিয়া আইচিচি ওৱৰ্ল্ড টেষ্ট চেম্পিয়নশ্বিপ, ২০২৫ (ডব্লিউ টি চি)ৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰাটো কঠিন হৈ পৰিছে ভাৰতীয় টেষ্ট ক্ৰিকেট দলৰ বাবে। ১৩ বছৰৰ অন্তত গৃহভূমিত টেষ্ট শৃংখলা হেৰুওৱাৰ পিছত এতিয়া ভাৰতীয় দলটোৰ বাবে একমাত্ৰ আশাৰ ৰেঙণি হৈ আছে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া টেষ্ট শৃংখলা। উল্লেখ্য যে, অহা ৩০ নৱেম্বৰৰ পৰা ভাৰতৰ আৰম্ভ হ'ব অষ্ট্ৰেলিয়া ট্যুৰ। অষ্ট্ৰেলিয়াৰ মাটিত অনুষ্ঠিত হ'বলগীয়া পাঁচোখন টেষ্ট শৃংখলাত ভাৰতে ৪-০ বা ৫-০ ব্যৱধানত বিজয় সাব্যস্ত কৰিব পাৰিলেহে ডব্লিউ টি চিৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব পাৰিব ৰোহিত বাহিনীয়ে। কিন্তু শেহতীয়াকৈ নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতীয় দলটোৰ প্ৰদৰ্শনৰ পিছত এয়া যে এতিয়া সম্ভৱ হৈ উঠিব তাৰ ওপৰত সন্দেহ ব্যক্ত কৰিছে বহু ক্ৰিকেট বিশ্লেষক আৰু নেটিজেনে। ইফালে কিৱি বাহিনীৰ হাতত ৩-০ ব্যৱধানত পৰাজয় স্বীকাৰ কৰাৰ পিছত ভাৰতৰ স্থান আই চি চি টেষ্ট ৰেংকিঙৰ প্ৰথম স্থানৰ পৰা দ্বিতীয় স্থানলৈও অৱনতি ঘটিছে। ৰোহিত বাহিনীৰ এনে দুৰ্বল প্ৰদৰ্শনৰ পিছত এতিয়া ক্ষোভৰ জোৱাৰ উঠিছে সামাজিক মাধ্যমতো। বহু ক্ৰিকেট অনুৰাগীয়ে দলটোৰ এনে প্ৰদৰ্শনক লৈ হতাশা ব্যক্ত কৰাৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত দুৰ্বল প্ৰদৰ্শন কৰাসকলৰ ঠাইত আন আন খেলুৱৈক সুযোগ প্ৰদান কৰিবলৈও দাবী জনাইছে। এই সময়তে নেটিজেনৰ জৰিয়তে চৰ্চালৈ আহিছে টেষ্ট ক্ৰিকেটৰ দুৰ্দান্ত খেলুৱৈ চেতেশ্বৰ পূজাৰা আৰু আজিংক্য ৰাহানেৰো নাম। উল্লেখ্য যে, বেয়া ফৰ্মৰ বাবে যোৱা বছৰতেই এই দুই খেলুৱৈক বাদ দিয়া হৈছিল টেষ্ট ক্ৰিকেট দলৰ পৰা। কিন্তু শেহতীয়াকৈ ৰঞ্জী ট্ৰফীত চেতেশ্বৰ পূজাৰাৰ আৰু ইৰাণী ট্ৰফীত আজিংক্য ৰাহানেৰ প্ৰদৰ্শনৰ পিছত দুয়োগৰাকী খেলুৱৈক ভাৰতীয় দললৈ ঘূৰাই অনাৰ দাবী উত্থাপন হৈছে। কিন্তু একাংশ ক্ৰিকেট বিশেষজ্ঞই এয়াও কয় যে ৩৬ বছৰীয়া পূজাৰা আৰু ৰাহানেয়ে এতিয়া আৰু ভাৰতীয় দলত স্থান লাভ কৰাৰ কোনো সম্ভাৱনা নাই। প্ৰণিধানযোগ্য যে, ডব্লিউ টি চিৰ পিছতে অনুষ্ঠিত হ'বলগীয়া ২০২৪-২৫ৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবেও ইতিমধ্যে ভাৰতীয় দলটো ঘোষণা কৰা হৈছে। কিন্তু ভাৰতীয় দলটোৰ বাবে বৰ্তমান সময়ত আটাইতকৈ চিন্তাজনক বিষয় হৈ পৰিছে মিডল অৰ্ডাৰ বেটছমেনৰ অভাৱ। পূৰ্বৰ চেতেশ্বৰ পূজাৰা, আজিংক্য ৰাহানে, যুৱৰাজ সিঙৰ দৰে অভিজ্ঞতাসম্পন্ন মিডল অৰ্ডাৰৰ বেটাৰৰ অভাৱ ভাৰতীয় দলটোৰ দুৰ্বল প্ৰদৰ্শনৰ এক অন্যতম কাৰণ বুলিও ক'ব খোজে ক্ৰিকেট বিশেষজ্ঞসকলে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি